চান্দমামা

ছেপটেমবাৰ ১৯৮৭



“অলপ সময় লৈ ভাবি-চিন্তি আজি
তাৰে তোমাৰ খেলাঘৰ লোৱা ভাই সাজি!”

-ফেভিফেইৰী





লৰা-লৰিকৈ কিবা গঢ়িবলৈ
ইটো-সিটোৰে সময় কটাবলৈ
অতিকৈ মজাদাৰ
ফেভিকল এম-আৰ
আমোদেই মাথো মহয়
হাত বহি গৈ শেষত হবগৈ
এজনা ভাঙৰ যন্ত্ৰবিদ।
এয়া মাথো মনোহাৰী খেলনাৰ
বিধে বিধে নমুনা
ঘৰ, দুৱাৰ, ঘোৰা, হাতী,
বাঘ আৰু কত'যে কি।
ঘৰ, আলমাৰী, চকী-মেজ
য'তেই লগোৱা
জোৰা হয় বজ্ৰ কঠিন
টিকেও বহু বেছি দিন।
নিখুঁত হৈ ৰব' চিৰকাল
চিৰ সঙ্গী তোমাৰ
ফেভিকল এম-আৰ।

পখিলা এটি ধাপে ধাপে কেনেকৈ সাজিব, সেই বিষয়ে বিনামূলীয়া
তথ্যৰ কাৰণে কুপনখন পঠিয়াওক বা যোগাযোগ কৰক এই ঠিকনাত:
“ফেভি ফেইৰী”, পোষ্ট বক্স ১১০৮৪, বোম্বাই ৪০০ ০২৩।

পখিলা এটি ধাপে ধাপে কেনেকৈ সাজিব, সেই বিষয়ে
বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন পঠিয়াওক বা
যোগাযোগ কৰক এই ঠিকনাত: “ফেভি ফেইৰী”
পোষ্ট বক্স ১১০৮৪, বোম্বাই ৪০০ ০২৩।



নাম: ____________________
বয়স: ____________________
ঠিকনা: ____________________
____
চহৰ: ____________________
ৰাজ্য: ______________ পিন: ________

তোমাৰ মাহেকীয়া জানেনে ফেভিক্ৰাফ্ট পালানে? হয়/নহয়

ফেভিকল এম-আৰ
চিন্থেটিক এধেচিভ

OBM 1214 AS

উত্তম বস্তু গঢ়িবলৈ হলে উত্তম বস্তু লেই যোৰা দিব লাগে!

® দুয়ো আৰু ফেভিকল বাণ্ড হ'ল পিডিলাইট ইণ্ডাষ্ট্ৰীজ প্ৰাঃ লিঃ,
বোম্বাই ৪০০ ০২১-ৰ ৰেজিষ্টাৰ্ড ট্ৰেডমাৰ্ক।

A BRIGHT NEW TRADITION IS BUILT by THE READERS OF

THE HERITAGE

FEATURES AND FICTION FOR TODAY AND TOMORROW

The span of one and half years is not a long time, yet given will and goodwill, enough of a time to build a healthy, meaningful and intelligent reading tradition.

SLOWLY BUT STEADILY THE ELITE OF INDIA AND MANY LOVERS OF INDIAN CULTURE ABROAD ARE UNITING IN THE HERITAGE.

* THE HERITAGE reveals the fourth dimension of life to you—through series like *"The Other Experience"* and *"Fables and Fantasies for Adults"*.
* THE HERITAGE brings to you the best of creative literature of Contemporary India—stories, novels and poems.
* THE HERITAGE features pictorial articles on places and monuments delving into their *roots*.
* THE HERITAGE takes you to a tour of the *Little-Known India*.

শ্ৰী গৌতম গোস্বামী
৮/৯/৮৭

চান্দমামা

*

ছেপটেম্বাৰ ১৯৮৭

এই * সংখ্যাত আছে

*

অমৰ-বাণী	:	৭
চান্দমামাৰ সম্বাদ-বি-সম্বাদ	:	৯
ক্ষেম	:	১০
সাপতকৈয়ো ভয়ংকৰ	:	১১
প্ৰকৃত পাণ্ডিত্য	:	১৬
জ্বালাদ্বীপ	:	১৯
আদৰ্শ	:	২৭
চোৰৰ পৰীক্ষা	:	৩৩
আমাৰ দেশৰ বিচিত্ৰ কথা	:	৩৫
সোণ-বলিয়া	:	৩৯
উত্তৰ-ৰামায়ণ	:	৪৩
বৈদ্যবধী বেমাৰী	:	৫১
ভেকুৰিতলৰ কথা	:	৫৪
উপকাৰ-প্ৰত্যুপকাৰ	:	৫৫
প্ৰশ্ন	:	৬০
প্ৰকৃতিৰ বিস্ময়	:	৬৩

*

খনে : ২.৫০ পইচা মাথোন * বছৰেকীয়া বৰঙনি : ৩০.০০ টকা মাথোন

চুপাৰফাইটাৰ!

তেওঁৰ বন্ধুগনে তেওঁক কয় "লিটিল মাষ্টাৰ" সমগ্ৰ জগতে ক্ৰিকেটৰ পৰম্পৰাত তেওঁক জানে চুপাৰব্যাটচমেন হিচাবে। কিন্তু সুনিল গাভাচকাৰে নিজে কয় "মই এজন চুপাৰফাইটাৰ, মই বিচাৰো মোৰ লৰাটোও যাতে তেনে হয়। সেয়েহে মই সকৰ পৰাই শিকাইছো ফৰহান্স ফ্লোৰাইড টুথপেষ্টৰে দাঁত মাজিবলৈ–দাঁতৰ ক্ষয় ৰোধৰ বাবে সচাকৈয়ে চুপাৰফাইটাৰ।"

দাঁতৰ ফাকত বৈ যোৱা খাদ্যকনাই ৰোগ-জীৱানু জন্মাই আৰু তাত নিগৰিত এচিডে দাঁত ক্ষয় কৰে। ফৰহান্স চুপাৰফাইটাৰত আছে সক্ৰিয় ফ্লোৰাইড যি দাঁতৰ আলু মজবুটভাৱে সুৰক্ষিত কৰে। সেয়েহে ৰোগ বিজানু জন্ম নহয় আৰু দাতৰো ক্ষয়ৰোগ নহয়। ফৰহান্সৰ বিশেষ এচট্ৰিনজেণ্টয়ে আলু মজবুত কৰি ৰাখে। সেয়েহে দাঁতক দিয়ে মজবুত গাঠনি আৰু দীৰ্ঘায়ু কৰি ৰাখে।

সুনিলৰ ভাষাত "মই মোৰ ল'ৰাটোক দিছো ফৰহান্স কেয়াৰ।
আপুনি তাৰ বাবে কি কৰিছে?"

ফৰহান্স

GM-113/86 Ass

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 12 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026



চান্দমামা

সংস্থাপক * * * সঞ্চালক

চ ক্র পা ণি * বি নাগিৰেড্ডি

বিশেষ কথা (১): 'চান্দমামাৰ গ্ৰাহক হ'বলৈ হ'লে বছৰেকীয়া বৰঙণিৰ টকা চান্দমামাৰ মাদ্ৰাজস্থিত ঠিকনালৈ পঠাব লাগিব; ফটোনামকৰণ-প্ৰতিযোগিতাৰ ঠিকনালৈ কোনো ধৰণৰ টকা-পইচা নপঠাব। বছৰৰ যিকোনো মাহৰেপৰাই চান্দমামাৰ গ্ৰাহক হ'ব পাৰি। (২) চান্দমামাৰ ফটো-নামকৰণ প্ৰতিযোগিতালৈ যোগদান কৰাত বয়সৰ বাধা-নিষেধ নাই; কিন্তু প্ৰতিযোগীয়ে বয়সৰ উল্লেখ কৰিব লাগিব। প্ৰতিযোগীৰ ঠিকনা সম্পূৰ্ণকৈ আৰু সুস্পষ্টকৈ অসমীয়া নাইবা ইংৰাজীত লিখি পঠাব লাগিব।

অমৰ-বাণী

লোকযাত্ৰা নয়োলজ্জা দাক্ষিণ্যম্ ত্যাগশীলতা।
পঞ্চ যত্ৰ ন বিদ্যন্তে ন তত্ৰ দিবসম্ বসেৎ॥

[জীৱনযাপনৰ সুন্দৰ পদ্ধতি, ন্যায়, লাজ-লজ্জা, কৰুণা আৰু ত্যাগৰ ইচ্ছা—যি স্থানত এই পঞ্চগুণ নাই তেনেকুৱা স্থানত কোনেও এটা দিনও অতিবাহিত কৰা উচিত নহয়।]

বছৰ: ১২ ছেপটেম্বাৰ ১৯৮১ **সংখ্যা: ৬**

খনে: ২'৫০ টকা: : বছৰেকীয়া বৰঙণি: ৩০'০০ টকা

খেল, খেলনা, কমিক্স ৰোৰিং
ৰবিক লাগে আৰু ইন্টাৰেষ্টিং
নিজেই ভাবিব, নিজেই আঁকিব
দিনৰ দিনটো মজাৰে কাটিব!
এক' স্কেচ পেন হাতত ললে
ঘৰ সাজিলে, জাহাজ আঁকিলে
দেউতাকৰ বৰ বৰ দাড়ি, এজন চিকাৰী
এটি ভাটো, আৰু কতযে কি!
হালধীয়া, কমলা, বেঙুনীয়া, ক'লা
গুলপীয়া, ভায়োলেট, বাদামী, ৰঙা
সেউজীয়া, নীলা চব ৰঙেই পাবা
অতি ভাল স্কেচ পেন এক'হে লবা!
এক'
স্কেচ পেন — ৰঙৰ মজা! আঁকা-আঁকিৰ ৰজা!
প্ৰিচিশ্যন ৰাইটিং পইণ্টচ প্ৰাঃ লিঃ. ১৮, সুভাষ ৰোদ, ভিলে পাৰ্লে (পূব), বোম্বাই-৪০০ ০৫৭,
ফোন : ৬০৪০৩০৫, ৬০৪০৫৫৬.
EKCO

চান্দমামাৰ
সম্বাদ-বি-সম্বাদ



পুষ্প-গীতি

জাপানৰ কেইগৰাকীমান বিশেষজ্ঞই ফুলৰ পাপৰিৰ মাজত সংগীতৰ মূৰ্ছনাৰ আভাস পোৱা হৈছে কম্প্যুটাৰৰ যোগেদি। এতিয়াও এই বিষয়ে পৰীক্ষা-নিৰীক্ষা চলি আছে। নিকট ভৱিষ্যতে আমি ফুলৰ গীত-মাত শুনিবলৈ পাম বুলি আশা কৰা হৈছে।

অভিনৱ অভিধান

হাংগেৰিৰ ইনটাৰনেশ্যনাল কাউন্সিল অৱ মুজিয়ালজি নামৰ সস্থাৰ হৈ আঠাইছখন দেশৰ এশগৰাকী পণ্ডিতে দহ বছৰ জোৰা অক্লান্ত শ্ৰমৰে একুৰি ভাষাৰ এখন অভিনৱ অভিধান যুগত কৰিছে। অভিধানখন সত্বহতে প্ৰকাশিত হৈছে।

আত্মঘাতী চৰাই

মহাৰাষ্ট্ৰৰ ঠাঁড়ে (থানে) জিলাৰ মুৰাৰাদ তালুকত অৱস্থিত মালসেচঘাট নাম ৭৫০ মিটাৰ ওখ পৰ্বতচূড়াত এখন উপত্যকা আছে। বছৰি কেইসপ্তাহমান এই উপত্যকাখন কুঁৱলীৰে পূৰ্ণ হৈ থাকে আৰু তাৰ ফলত অসংখ্য চৰাইৰ মৃত্যু হয়। চৰাইবোৰ সেই ঠাই এৰি গুচি নোযোৱা বাবে সিঁহতে আত্মঘাতী কৰে বুলি কোৱা হয়।

বিস্মৃত সমাধি

ডাক্টৰ তেজা সিঙৰ পুত্ৰ বোৰিছ সিঙে দ্বিতীয় বিশ্বযুদ্ধৰ কাল-ছোৱাত হিটলাৰৰ নাজী [নাৎছী] বাহিনীৰ বিৰুদ্ধে বীৰতাৰে যুঁজি বীৰৰ মৃত্যুক আঁকোৱালি লৈছিল। কেই-গৰাকীমান ছাত্ৰ-ছাত্ৰীয়ে সত্বহতে বোৰিছসিঙৰ সমাধি আৱিষ্কাৰ কৰিলে। ডাক্টৰ তেজাসিং এতিয়াও ছোভিয়েতৰ উজবেকিস্তানত বসবাস কৰিছে।



ক্ষেম

শাগলদেশৰ ৰাণী আছিল অপূৰ্ব সৌন্দৰ্য্যৱতী আৰু তেওঁ তেওঁৰ সৌন্দৰ্য্যৰ বিষয়ে আছিল সচেতন। কেৱল সচেতনেই নহয়, সৌন্দৰ্য্যৰ কথাত ৰাণীৰ অহংকাৰো আছিল আকাশলংঘা।

বুদ্ধৰ কাহিনী শুনি শাগলদেশৰ ৰজাই বুদ্ধৰ শিষ্যত্ব গ্ৰহণ কৰিলে। কিন্তু ৰাণী ক্ষেমই বুদ্ধক দৰ্শন কৰিবলৈকো মান্তি নহ'ল। ৰাণীয়ে বুদ্ধৰ সম্পৰ্কে বহু কথা শুনিছিল, জানিছিল, আৰু বুদ্ধৰ অসীম জ্ঞান সম্পৰ্কেও ৰাণীৰ মনত সন্দেহ নাছিল। কিন্তু বুদ্ধই যে তেওঁৰ সৌন্দৰ্য্যৰ শলাগ নলয়, সেই কথাতো ৰাণীৰ মনত সন্দেহ নাছিল।

এদিন ৰাজকবিয়ে ৰাজসভাত উদ্যান আৰু বেনুবনৰ শোভা বৰ্ণাই এটি কবিতা পাঠ কৰিলে। কবিতাত কোৱা বৰ্ণনা শুনি ৰাণীৰ মনত বেনুবন চোৱাৰ ইচ্ছা হ'ল আৰু পাছদিনা বেনুবন চাবলৈ ৰাণী ক্ষেম বেনুবনলৈ গ'ল।

ৰাণী ক্ষেম যেতিয়া বেনুবনলৈ গ'ল, তেতিয়া বুদ্ধদেৱো যে তাতে আছিল সেই কথা ৰাণীয়ে নাজানিছিল। এজোপা গছৰ ছাঁত বিশ্ৰাম কৰি থকা বুদ্ধদেৱক আৰু তেওঁক বিচনীৰে বিচি থকা তৰুণী এগৰাকীক যেথা পাই ৰাণী ক্ষেম বুদ্ধদেৱৰ ওচৰলৈ এখুজি দুখুজিকৈ গৈ থাকিল। ৰাণী ক্ষেম যিমানেই বুদ্ধদেৱৰ কাষ চাপিবলৈ ধৰিলে, সেই তৰুণীৰ চুলিকোচা সিমানেই বগা হৈ থাকিল, তৰুণীয়ে কঁকাল পোনাব নোৱৰা হ'ল, দেহত্বক সোটোৰা-সোটোৰ হৈ পৰিল। আৰু চাওঁতে চাওঁতে সেইগৰাকী তৰুণী একেবাৰে বৃদ্ধা হৈ পৰিল।

বুদ্ধৰ সেৱাত নিয়োজিত সেই পৰমাসুন্দৰী তৰুণীৰ মাধ্যমতে বুদ্ধদেৱে ৰাণী ক্ষেমক যেনিবা বুজাই দিলে যে ৰূপ-যৌৱন কিমান ঠুনুকা আৰু কেনে ক্ষণস্থায়ী! বাহ্যিক সৌন্দৰ্য্যতকৈ আন্তৰিক সৌন্দৰ্য্যয়েই যে স্থায়ী সেই গূঢ় কথাষাৰ বুদ্ধদেৱে ৰাণী ক্ষেমৰ আগত প্ৰত্যক্ষ উদাহৰণৰে দাঙি ধৰাত ৰাণী ক্ষেমৰ সৌন্দৰ্য্যৰ অহংকাৰ সেই মুহূৰ্ত্তৰেপৰাই লুপ্ত হ'ল আৰু তৎক্ষণাৎ বুদ্ধৰ শৰণ লৈ তেওঁৰ শিষ্যত্বৰ বাবে প্ৰাৰ্থনা কৰিলে। ৰাণী ক্ষেম বুদ্ধৰ শিষ্যা হ'ল।



সাপতকৈয়ো ভয়ংকৰ

অনংগদেশৰ ৰজা সূৰ্য্যাংগৰ দুই পুত্ৰ। ডাঙৰজন পুত্ৰৰ নাম চন্দ্ৰাংগ আৰু সৰুজনৰ নাম তৰংগ। চন্দ্ৰাংগ আৰু তৰংগৰ যেতিয়া কিশোৰকাল পাৰ হ'ল, মহাৰাজ সূৰ্য্যাংগ তেতিয়া বৃদ্ধ।

তাৰ পাছত এদিন বৃদ্ধ ৰজা ঢুকাল। যথানিয়মতে বৰপুত্ৰ চন্দ্ৰাংগ অনংগদেশৰ সিংহাসনত অধিষ্ঠিত হ'ল। ভায়েক তৰংগই ককায়েক ৰজা চন্দ্ৰাংগক ৰামচন্দ্ৰৰ ভ্ৰাতৃ লক্ষ্মণৰ দৰে বিভিন্ন ৰাজকাৰ্য্যত সহায় কৰি থাকিল। এই মিলাপ্ৰীতি দেখি দেশৰ প্ৰজাবৰ্গই চন্দ্ৰাংগ আৰু তৰংগকো ৰাম-লক্ষণ বুলি অভিহিত কৰা হ'ল।

এবাৰ চন্দ্ৰাংগই তেওঁৰ ভায়েক তৰংগক চুবুৰীয়া চম্পকৰাজ্যলৈ পঠালে বিশেষ এটা কামৰ বাবে। তৰংগ চম্পকৰাজ্যলৈ গুচি যোৱাৰ পাছত চন্দ্ৰাংগ অকলেই উদ্যানলৈ গ'ল। তেতিয়া মুনি-চুনি। চাওঁতে চাওঁতে সাঁজ লাগি ভাগিল আৰু লগে লগে চন্দ্ৰাংগক সাপে খুটিলে। শুনি প্ৰহৰীহঁত দৌৰি আহিল আৰু ৰজাক অন্তেষপুৰলৈ লৈ গ'ল।

ৰাজবৈদ্যৰ চিকিৎসাৰ ফলত ৰজা চন্দ্ৰাংগৰ মৃত্যু নহ'ল; কিন্তু ৰজাই ভৰি, হাত ইত্যাদি লৰাব নোৱৰা আনকি, মাত-বোল কৰিব নোৱৰা হৈ পৰিল।

ৰাজকৰ্মচাৰীহঁতৰ মাজত কিছুমান, আৰু ৰাইজৰ মাজতো কিছুমানে ক'লে যে এয়া সাধাৰণ আৰু স্বাভাৱিক সাপে খোটাৰ ঘটনা নহ'বও পাৰে। ৰজাৰ প্ৰাণনাশ কৰিবলৈ এই অভিনৱ চক্ৰান্ত কৰা নহৈছিল বুলি ন-দি ক'ব নোৱাৰি।

ভুবনকোঁৱৰ

ইপিনে—অনংগদেশৰ মহামন্ত্ৰীৰ বহু-দিনীয়া বাসনা—তেওঁ অনংগদেশৰ ৰজা হ'ব। এতেকে—ৰজাৰ এনে লৰিব নোৱৰা চৰিব নোৱৰা অৱস্থাত মহামন্ত্ৰীয়ে ভালেই প্যালে। আন যিয়েই নওহক—ৰজাই এতিয়া তো একো মাত মাতিব নোৱাৰে। কিন্তু ভয় সেই—সৰুটোক। সৰু তৰংগই তমোময় দেখুৱাব পাৰে। তৰংগক তেইচ মাৰি পোনাব নোৱাৰিলে ৰজা হোৱাৰ সপোন সামৰি-সুতৰি মনৰ খালৈত ভৰাই থ'ব লাগিব। এইবোৰ সাতে-সোতৰই ভাবি ভাবি ভাবি ভাবি—শেষান্তৰত মহামন্ত্ৰী মদনে এটি আঁচনি পাঙিলে।

মহামন্ত্ৰী মদনে এদিন ৰাজসভাত ঘোষণা কৰিলে: "আমাৰ লোকপ্ৰিয় মহাৰাজৰ এই দুৰ্ঘটনা—কেৱল দুৰ্ঘটনা নহৈ চক্ৰান্তো হ'ব পাৰে। কেতিয়া আমাৰ মহাৰাজ উদ্যানলৈ যায়, কিমান সময়লৈ তাত থাকে—ইত্যাদি কথা চক্ৰান্তকাৰীয়ে নিশ্চয় ভালকৈ লক্ষ্য কৰিছিল। মই এই জঘন্য ৰাজদ্ৰোহী-দেশদ্ৰোহী চক্ৰান্ত-কাৰীক বিচাৰি উলিয়াই ফাঁচীৰ জৰীত দোল খোৱাৰ বন্দৱস্ত কৰিহে এৰিম।"

ককায়েকক সাপে খোটাৰ বাতৰি পাই তৰংগ ৰাজধানীলৈ ঢপলিয়াই আহিল আৰু তাৰ পাছত দেশ-শাসনৰ দায়িত্ব ল'লে। ইতিমধ্যে মহামন্ত্ৰী মদনে তেওঁৰ পৰমঅনুগ্ৰহভাজন প্ৰহৰী এটাক ক'লে



য'ৰেপৰাই নহওক এটা ভাল চাই সাপধৰা মানুহক তুৰন্তে বিচাৰি আনিবলৈ।

মহামন্ত্ৰীৰ আদেশমতে প্ৰহৰীয়ে দেশৰ আটাইতকৈ দক্ষ সাপধৰা মানুজনক প্ৰায় সাপ ধৰাদি ধৰি লৈ আহিল। মহামন্ত্ৰীয়ে সাপধৰাক ক'লে, "চোৱাঁ, তোমাৰ ভাগ্যৰ দুৱাৰখন যে মেল খাই পৰিছে—দেখা পাইছানে নাই? তোমাৰ উপকাৰৰ বাবেহে মই তোমাক মতাই অনালোঁ। শুনা তুমি মাত্ৰ এটা কাম কৰিবা, তাৰ পাছত—তোমাৰ বাদবাকী জীৱনকাল হৈ উঠিব সুখৰ অমৰাপুৰী। সাতদিনমান আগতে মহাৰাজৰ সৰু ভায়েক তৰংগই যে তোমাৰপৰা ফেটীসাপ এটা কিনিছিল—মাত্ৰ এই কথাটো তুমি ৰাজসভাত ক'বা, আৰু তাৰ সলনি তোমাক মই পাঁচ হেজাৰ সোণৰ মুদ্ৰা পুৰস্কাৰ দিম।" মহামন্ত্ৰীয়ে ক'লে।

*

পাছদিনা পৰিপূৰ্ণ ৰাজসভাত মহামন্ত্ৰী মদনে সকলোটিলৈ চাই ক'লে, "আমাৰ সৰ্বজনপ্ৰিয় মহাৰাজক যে সাপে খুটিলে, আৰু এই ঘটনাৰ আঁৰত যে কিবা-নহয়-কিবা চক্ৰান্ত আছেই—সেই কথাৰ দেখ দেখ প্ৰমাণ এতিয়া ওলাই পৰিল। এই উদ্যানত যে সাপ নাছিল—মই তাকো আৱিষ্কাৰ কৰিলোঁ।" ইমানলৈকে কৈ, অলপ ৰৈ, পুনৰ ক'লে, "এই কাম কৰা





হৈছিল—কেৱল সিংহাসনৰ লোভত। আৰু এই চক্ৰান্তকাৰী হ'ল আমাৰ মহাৰাজ কনিষ্ঠ ভ্ৰাতা—স্বয়ং তৰংগ!"

মহামন্ত্ৰীৰ কথা শুনি ৰাজসভাস্থ সকলোটি তালু-ৰ-জিভাই লগা যেন হ'ল। মহামন্ত্ৰীয়ে ক'লে, "মোৰ কথা শুনি আপোনালোক যে অতি বিস্মিত হৈছে, সেই কথাত মই নিঃসন্দেহ। ময়ো কথাটো শুনি বিস্মিত নহৈ থকা নাছিলোঁ। তাৰ পাছত সাপধৰা মানুহ এজনে যেতিয়া মোক সকলো কথা বিশদভাৱে ক'লে, তেতিয়া ময়ো আৰু বিশ্বাস নকৰি নোৱাৰিলোঁ।" এইখিনিলৈকে কোৱাৰ অন্তত তেওঁ প্ৰহৰী এজনক চকুৰ ঠাৰেৰে সাপধৰা মানুহটোক লৈ আহিবলৈ ক'লে।

ৰাজসভা পাই সাপধৰা মানুহজনৰ চকু ঢেলুকা-ঢেলুক হ'ল। মহামন্ত্ৰীয়ে তাক ক'লে, "শুনা, একো ভয় নকৰিবা। জানাই—সত্যমেৱ জয়তে। যি সত্য সেয়ে কথ্য। তুমি নিৰ্ভয়ে কোৱা।"

সাপধৰা মানুহজনে হাতযোৰ কৰি ক'লে, "এই সভাত থকা দৌতাসকল, মন্ত্ৰীবৰী ডাঙৰীয়াই মোক সঁচা কথা ক'বলৈ কৈছে—মই সঁচা কথাকে ক'ম। মহাৰাজৰ কনিষ্ঠ সহোদৰে মহাৰাজক বধ কৰিবলৈ ফেটী-সাপ এৰি দিছিলনে নাই,, মই নাজানো। পিছে—মন্ত্ৰীবৰী ডাঙৰীয়াই এইজন পহৰীক পঠিয়াই মোক মতাই অনাই ক'লে যে—তৰংদেৱে মোৰপৰা ফেটীসাপ এডাল কিনি আনিছে বুলি ৰাজসভাত ক'ব লাগিব, আৰু তেতিয়া তেওঁ মোক পাঁচহেজাৰ সোণৰ মুদ্ৰা দিব। যিজন পহৰীয়ে মোক মাতি আনিছিলগৈ—সৌ তাত থিয় হৈ আছে।"

নিজৰ চক্ৰান্তৰ কথা সদৰি হৈ পৰাত খঙত জালিম যেন হৈ উঠা মহামন্ত্ৰীয়ে ক'লে, "এই—কোন্ হেই? এই মিছলীয়া সাপধৰা মানুহটোক ইয়াৰপৰা লৈ যা আৰু ফাটেকত ভৰাই থ'গৈ।"

লগে লগে সিংহাসনৰ একাষত থিয় হৈ থকা তৰংগই আদেশৰ সুৰতে কৈ উঠিল, "প্ৰহৰীহঁত ! এই ষড়যন্ত্ৰী মহামন্ত্ৰী আৰু সৌটো প্ৰহৰীকো বন্দী কৰাঁ।"

তেতিয়া তৰংগই সাপধৰা মানুহজনক ক'লে, "তুমি এজন ডালদৰিদ্ৰ মানুহ। মহামন্ত্ৰীৰপৰা পাঁচ হাজাৰ সোণৰ মুদ্ৰা লৈ সুখেৰে জীৱন কটোৱাৰ লোভ পৰিত্যাগ কৰি তুমি সত্যৰ আশ্ৰয় ল'লা— এয়া তোমাৰ মহত্বৰ পৰিচয়। তোমাৰ সত্যবাদিতাই কেৱল মোৰেই নহয়, সমগ্ৰ দেশৰ সমূহ ৰাইজৰ উপকাৰ কৰিলে,— এক কুচক্ৰী ষড়যন্ত্ৰী মহামন্ত্ৰীৰ কবলৰপৰা দেশ আৰু দেশবাসী ৰক্ষা পৰিল। তোমাৰ ওচৰত আমাৰ ঋণ অপৰিশোধ্য।"

সাপধৰা মানুহজনে সকলোটিলৈ নমস্কাৰ জ্ঞাপন কৰাৰ অন্তত ক'লে, "মহাৰাজ, মন্ত্ৰিৱী ডাঙৰীয়াই মোক মিছা কথাৰ ভঁৱাল সাজিবলৈ কোৱাৰ পৰতেই মই এনে পাপ নকৰোঁ বুলি মনতে ভাবি থৈছিলোঁ। আমি সাপধৰা মানুহ, গতিকে সাপতকৈয়ো ভয়ংকৰ মন্ত্ৰিৱী ডাঙৰীয়াক ষড়যন্ত্ৰৰ গাঁতৰ-পৰা উলিয়াই আনিলে যে পাপ নহ'ব— সেই কথাত মোৰ সন্দেহ নাছিল আৰু সেই দেখিহে মই আপোনাৰ আগত গুপুত কথাবোৰ ৰেকত কৰিলোঁ।"

তৰংগই ক'লে, "তোমাৰদৰে সত্যবাদী মানুহ এজনে মাত্ৰ সাপধৰা হৈ থকাটো খেদৰ কথা। আজিৰপৰা তোমাক ৰজাৰ অধীনত কামত মকৰল কৰা হ'ল।"

তাৰ পাছত তৰংগই মহামন্ত্ৰীক কাৰাগাৰত বন্দী কৰি থ'বলৈ আদেশ দিলে ; কিন্তু সেই প্ৰহৰীটোৰ অপৰাধ ক্ষমা কৰি তাক মুক্তি দিলে।

কিছুদিনৰ পাছত—চিকিৎসকসকলৰ আপ্ৰাণ চেষ্টাত ৰজা চন্দ্ৰাংগ সুস্থ হৈ উঠিল আৰু তৰংগৰ সহযোগিতাৰে পুনৰ দেশ-শাসনৰ দায়িত্ব পালন কৰি থাকিল।



প্ৰকৃত পাণ্ডিত্য

হিমালয় পৰ্বতৰ অন্যতম অঞ্চল হ'ল চম্পাৰণ অৰণ্য। তাত জ্ঞানসূৰ্য্য নামৰ পণ্ডিত এগৰাকীৰ এখন টোল আছিল। গভীৰ জ্ঞানসম্পন্ন বেদজ্ঞানী জ্ঞানসূৰ্য্যৰ ওচৰলৈ দূৰ-দূৰান্তৰৰপৰাও ছাত্ৰ আহিছিল বেদ-উপনিষদ আদিৰ শিক্ষা ল'বলৈ।

এদিন শিক্ষাদান কৰি থাকোঁতে দাক্ষিণাত্যৰপৰা চক্ৰতীৰ্থ নামৰ এগৰাকী পণ্ডিত জ্ঞানসূৰ্য্যৰ ওচৰলৈ আহিল।

নিজৰ পৰিচয় জ্ঞাপন কৰাৰ অন্তত চক্ৰতীৰ্থই জ্ঞানসূৰ্য্যক ক'লে, "দেশ-দেশান্তৰ ভ্ৰমি, অংসখ্য পণ্ডিত ব্যক্তিক পৰাজিত কৰি, আপোনাৰ সমীপৱৰ্তী হৈছোঁ—আপোনাৰ সুগভীৰ পাণ্ডিত্যৰ খ্যাতি শুনি। মই আপোনাক তৰ্কত পৰাজিত কৰিম—এয়ে মোৰ বাসনা।"

জ্ঞানসূৰ্য্যই মৃদুকৈ হাঁহি মাৰি ক'লে, "হয়নে? তেনেহ'লে আপুনি নিশ্চয় পাটলিপুত্ৰস্থিত মোৰ শিষ্য সৰলকুমাৰকো পৰাজিত কৰিলে?"

এই কথা শুনি অবাক মানি চক্ৰতীৰ্থই ক'লে, "পাটলিপুত্ৰৰ বহু পণ্ডিকে মই অনেককালৰ আগতেই চূণ-খাৰ কৰিলোঁ। কিন্তু মই সৰলকুমাৰ নামৰ কোনো পণ্ডিতৰ আনকি নামকে শুনা নাই।"

"মোৰ শিষ্য সৰলকুমাৰ একেবাৰে নিৰহংকাৰ মানুহ। নিজৰ পাণ্ডিত্যৰ কথা সৰলে কাকো নকয়। এতেকে—সৰলৰ নাম আপুনি নুশুনিবও পাৰে। সৰলে কেতিয়াও ক'তো নিজক জাহিৰ নকৰে। যি কি নহওক—আপুনি যদি প্ৰকৃততেই তৰ্কত মোক পৰাজিত কৰিবলৈ



আহিছে তেনেহ'লে—আগতে সেই সৰলকুমাৰক পৰাজিত কৰি আহকগৈ।"

এই কথা শুনি ক্ৰুদ্ধ হৈ পৰা চক্ৰতীৰ্থই ক'লে, "মোৰ লগত তৰ্ক নকৰিবৰ মনেৰেই যে আপুনি এনেবোৰ অৰ্থহীন চৰ্ত আৰোপ কৰিছে—সেই কথা বুজাত বৰ বুদ্ধিৰ আৱশ্যকতা নাই।"

কিন্তু জ্ঞানসূৰ্য্যই পুনৰ একেইবোৰ কথা ক'লে, "আগতে সৰলকুমাৰক পৰাজিত কৰি আহকগৈ।"

চক্ৰতীৰ্থ পাটলিপুত্ৰলৈ গ'ল আৰু সৰলকুমাৰক বিচাৰি উলিয়ালে। তেতিয়া সৰলকুমাৰে তেওঁৰ ছাত্ৰসকলক শিক্ষাদান কৰি আছিল। চক্ৰতীৰ্থই নিজৰ পৰিচয় প্ৰদানৰ অন্তত সৰলকুমাৰক ক'লে, "অনতিদূৰত থিয় হৈ আপোনাৰ শিক্ষদান শুনি আছিলোঁ; কিন্তু আপুনি ছাত্ৰসকলক শিক্ষাদান কৰিছেনে আপোনাক ছাত্ৰসকলে শিক্ষাদান কৰিছে—তাকেহে সঠিককৈ বুজি নোপোৱা হ'লোঁ।"

এই কথা শুনি সৰলকুমাৰে মিঠাকৈ হাঁহি মাৰি ক'লে, "মোৰ পাঠাগাৰত শিক্ষাৰ পদ্ধতিয়েই এনেকুৱা।"

"বৰ নাশ্ৰুত কথা!" চক্ৰতীৰ্থই ক'লে, "সি যি কি নহওক-মই কি কাৰণে ইয়ালৈ আহিছোঁ, কওঁ। মই আপোনাক তৰ্কত হৰুৱাই আপোনাৰ গুৰুক পৰাজিত কৰিবলৈ যাম। এতিয়া প্ৰশ্ন হ'ল—আপুনি মোৰ লগত তৰ্কযুদ্ধ কৰিবনে?"

সৰলকুমাৰে চক্ৰতীৰ্থক নিৰীক্ষণ কৰি ক'লে, "মই যে কাৰো সৈতে তৰ্কলিপ্ত নহওঁ, গুৰুদেৱে নজনা নহয়। তথাপি তেওঁ তৰ্কযুদ্ধৰ বাবে আপোনাক পঠাইছে বুলি বিশ্বাস কৰিবলৈকো টান পাইছোঁ।"

চক্ৰতীৰ্থই অলপ পৰলৈ তাপ মাৰি থকাৰ অন্তত কিবা এটা আৱিষ্কাৰ কৰা যেন পাই ক'লে, "বুজিলোঁ। আপোনালোক দুয়ো—গুৰু আৰু শিষ্য—একে চুপাৰ বাঁহ। গুৰুৱেও মোক এৰাই গ'ল, আপুনি

শিষ্যয়ো মোক এৰাই যাব খুজিছে। এতিয়া—আপুনি যদি মোৰ ওচৰত পৰাজয় মানি লয়, মই আপোনাৰ গুৰুৰো গুৰি-সদিয়াৰ খবৰ ল'ব পাৰোঁগৈ।"

"চাওক, মই আপোনাৰ সৈতে তৰ্ক-লিপ্ত নহওঁ। কিন্তু তাৰ অৰ্থ এয়া নহয় যে জ্ঞান অৰ্জনৰ বাবে চৰ্চা কৰাতো মই বিমুখ।" সৰলকুমাৰে ক'লে।

"সেই চৰ্চা-টৰ্চাৰে মোৰ একো লাভ নহ'ব। মই সকলো পণ্ডিতক পৰাজিত কৰিম—এয়ে মোৰ একমাত্ৰ ইচ্ছা।"

সৰলকুমাৰে শান্ত কণ্ঠেৰে ক'লে। "পণ্ডিত লোকসকলে পৰস্পৰৰ সৈতে জ্ঞানৰ চৰ্চা কৰি ন ন আলোক দান কৰিব পাৰে। কিন্তু প্ৰতিপক্ষক কেৱল পৰাজিত কৰাৰ মনোভাব মূঢ়তাৰহে পৰিচায়ক। তাৰ ফলত অহংকাৰ বাঢ়ি যায় আৰু এই অহংকাৰ হৈ উঠে পতনৰ মূল; সেই কাৰণেহে আপোনাৰ সৈতে মই তৰ্কত লিপ্ত নহওঁ।"

সৰলকুমাৰৰ এই কথা শুনি চক্ৰতীৰ্থ নীৰৱ হৈ থাকিল আৰু তাৰ পাছত জ্ঞানসূৰ্য্যৰ ওচৰলৈ উভতি গ'ল।

চক্ৰতীৰ্থক উভতি অহা দেখি জ্ঞানসূৰ্য্যই ক'লে, "সৰলকুমাৰক লগ নাপালনে কি?"

চক্ৰতীৰ্থই জ্ঞানসূৰ্য্যক সাষ্টাংগে প্ৰণাম কৰিলে আৰু ক'লে, "জ্ঞানৰ যে সীমা নাই, জ্ঞান যে কাৰো এদনীয়া সম্পত্তি নহয়, মোৰ মনত এইবোৰ জ্ঞান জাগ্ৰত কৰিবলৈহে যে আপুনি মোক সৰলকুমাৰৰ ওচৰলৈ যাবলৈ কৈছিল—সেই মহামূল্যৱান কথাটো মই বুজি পাইছোঁ। এতিয়া সৰলকুমাৰৰ নিচিনা নিৰহংকাৰ পাণ্ডিত্য আৰ্জিবলৈ মই আপোনাৰ শিষ্যত্ব গ্ৰহণ কৰাটোকে স্থিৰ কৰিছোঁ। দয়া কৰি আপুনি মোক হিচাপে লওক।"

জ্ঞানসূৰ্য্যৰ শিষ্যৰূপে পৰৱৰ্তীকালত চক্ৰতীৰ্থ এগৰাকী প্ৰকৃত পণ্ডিতলোক হিচাপে খ্যাত হৈছিল।



১৫

এতিয়া উগ্ৰদত্ত
আৰু তাৰ লগৰীয়া তথা
বন্ধু ৰুদ্ৰ-মদ্ৰৰ বয়সেও বিছবছৰৰ
ডেঃওনা ডেই গ'ল। এদিন উগ্ৰদত্ত আৰু
ৰুদ্ৰই অৰণ্যত ঘূৰি ফুৰোঁতে নাৰীকণ্ঠৰ আৰ্তনাদ শুনি
সেই নাৰীক উদ্ধাৰ কৰিবলৈ গৈ ঘোৰ বিপাণ্ডত পৰিল। সিহঁতক
বাঘছাল পিন্ধা জ্বালাদ্বীপিয়াইঁতে বন্দী কৰি টানি-চুঁচৰি লৈ যাবলৈ ধৰিলে
সেই বিকট ভয়ানক চৰাইবিলাকৰ সমুখলৈ। কথাটো বুজি পাই সিহঁতৰ অণ্ঠ-কণ্ঠ
শুকাই গ'ল। আৰু তাৰ পাছত…

পৰিণতিৰ কথা নভবা-নুগুণাকৈ নাৰী-কণ্ঠৰ আৰ্তনাদ শুনি আগুৱাই যোৱাৰ এনে আচৰিত কাণ্ড ঘটাত উগ্ৰদত্ত বিবুদ্ধিত পৰিল। সেইজনী নাৰীও নিশ্চয় ইমানপৰে বন্দী হ'ল—এই কথা ভাবি উগ্ৰদত্তৰ অস্বস্তি চাৰিগুণে চৰিল। আৰু লগতে বুজি পোৱা যে হ'ল কোনোবাই সিহঁতক যদি উদ্ধাৰ নকৰে, তেনেহ'লে সিহঁতৰ জীৱন এই বাঘছালপিন্ধাইঁতৰ হাতত লয় পাব। পলাই যোৱা অসম্ভৱ কথা।



হঠাৎ উগ্ৰদত্তই বিৰাট চিঞৰেৰে ৰুদ্ৰক মাতিলে, "ৰুদ্ৰ—ৰুদ্ৰ তুমি ক'ত আছা !"

*

ৰুদ্ৰক তেতিয়া বাঘছালপিন্ধা জ্বালা-দ্বীপিয়াহঁতে সেই ভয়ানক চৰাইৰ পিঠিত বহুৱাবলৈ চেষ্টা কৰি আছিল। উগ্ৰদত্তৰ চিঞৰ শুনি ৰুদ্ৰয়ো চিঞৰি ক'লে, "উগ্ৰদত্ত, মোৰ ভৰি-হাত বান্ধি ইহঁতে চৰাইৰ পিঠত বহুৱাইছে। মন্ত্ৰীকো এইবোৰে ধৰিলে। আৰু তুমিও ইহঁতৰ কবলত পৰিলা নিশ্চয়।"

বাঘছালপিন্ধাইতৰ মাজত এটাই ক'লে, "এই তিনিওটায়েই হতমূৰ্খ যেন পাওঁ। এতিয়া দেখা যাওক—সামন্তৰজা সুদৰ্শনৰ সুন্দৰী জীয়েকৰ বুদ্ধি কিমান।"

*

সেই আৰ্তনাদকাৰিণী কোন—বাঘছাল-পিন্ধাইতৰ কথাত সেই নজনা কথাটো ভালকৈ ওলাই পৰিল।"

এনেতে হৈ-চৈৰ শব্দ উঠিল। লগে লগে ঘোঁৰাৰ হেঁহনিও শুনা গ'ল। সিহঁতক উদ্ধাৰ কৰিবলৈ যে ৰাজধানীৰপৰা সৈন্য-বাহিনী ঢপলিয়াই আহিব ধৰিছে—সেই কথাত উগ্ৰদত্ত নিঃসন্দেহ হ'ল। উগ্ৰদত্তই তাক বাঘছালপিন্ধাহঁতে কটকটীয়াকৈ বন্ধা ৰছীডাল সৰ্বশক্তিৰে ছিঙি পেলাবলৈ চেষ্টা কৰিলে; কিন্তু তাৰ প্ৰচেষ্টা ব্যৰ্থ হ'ল। জ্বালাদ্বীপিয়া এটাই ডাবি মাৰি ক'লে, "ৰছী ছিঙিবলৈ আকৌ যদি চেষ্টা কৰিছা, তোমাৰ মুণ্ডটোৰেই মূচৰি ছিঙি পেলাম।"

ইতিমধ্যে সেই ভয়ংকৰ চৰাইবিলাকে আকাশলৈ উৰা মাৰিলে। চৰাই পিঠিৰ ওপৰত বন্দী হৈ বহি থকা নিৰুপায় উগ্ৰদত্তই ভাবি থাকিল: সময় পাৰ হৈ গ'ল। এতিয়া আৰু আমাক কোনেও উদ্ধাৰ কৰিব নোৱাৰিব, ইহঁতে আমাক নিশ্চয় জ্বালদ্বীপলৈ লৈ যাব। চৰাইৰ পিঠিৰপৰা তললৈ জাঁপ মাৰিবলৈকো উপায় নাই' কিয়নো, জ্বালাদ্বীপিয়াই উগ্ৰদত্তক টান

আৰু সতৰ্কভাবে মুঠিৰে ধৰি আছিল।

অলপ সময়ৰ পাছত চৰাইবিলাকে তললৈ গতি কৰা যেন বোধ হ'ল উগ্ৰদত্তৰ। তললৈ...আৰু তললৈ...। বহু ঊৰ্ধত থাকোঁতে পোৱা জুৰ বা তপত হৈ উঠিল এতিয়া, উগ্ৰদত্তই তাৰ সৰ্বশৰীৰ পুৰি যোৱা যেন পালে। —এনেতে হঠাৎ বিৰাট চিঞৰ শুনা গ'ল: হুছিয়াৰ! ভালুক! ভালুক! ভালুকদলৰ চন্দ্ৰপতি সম্পৰ্কে সাৱধান হোৱাঁ! সিহঁতক ভেটিবলৈ জুম বান্ধা—আগুৱাই আহাঁ! এই ভয়ংকৰ ভালুকদলটোক প্ৰতিৰোধ কৰিবই লাগিব—নহ'লে আমাৰ সকলোটিৰ আগত বিষম বিপদ!"

কথাবোৰ শুনি উগ্ৰদত্তই ভাবিলে: তেনেহ'লে জ্বালাদ্বীপতো দুটা পৰস্পৰ-বিৰোধী দল আছে। —এই কথা ভাবি উগ্ৰদত্তই বুকুত বল পোৱা যেন পালে। পাছমুহূৰ্ত্ততে তাৰ মনত এটা কথাই খেলিমেলি লগাই দিলে: ভালুকদলৰ মানুহবিলাকো যদি আন কোনোবা ধৰণৰ চৰাইৰ পিঠিত উঠি ওলায়হি আৰু বাঘছাল পিন্ধাহঁতৰ বিৰুদ্ধে যুঁজ দিয়ে—আৰু সেই তয়াময় যুঁজৰ সময়ত যদি চৰাইৰ পিঠিৰ-পৰা তথা সাকাশৰপৰা কেনেবাকৈ তললৈ বাগৰি পৰোঁ—তেনেহ'লে দেখোন মোৰ

দেহাৰ হাড়কিডালি গুড়ি হৈ যাব!

এনেবোৰ কথা ভাবি থাকোঁতে ভয়ানক চৰাইবিলাকে তীব্ৰ গতিৰে তললৈ নামি আহিবলৈ ধৰিলে। আৰু এই ভয়াল অৱস্থাত উগ্ৰদত্তই আকাশলৈ চাই পঠালে।

আৰু চায়েই যি দৃশ্য দেখা পালে—সেই দৃশ্য দেখি উগ্ৰদত্তৰ গাৰ নোম ডাল ডাল হৈ উঠিল। আকাশত দুফালৰ, পৰা তীব্ৰগতিৰে উৰি অহা জাক জাক চৰাইৰ পিঠিত বহি বহি আৰু থিয়ৈ থিয়ৈ দুয়োদলৰ মাজত ভয়ংকৰ যুঁজ-বাগৰ লাগি পৰিছে। আকাশপথতে আক্ৰান্ত হোৱাত দুয়োপক্ষৰে যুঁজাৰু কিছুমান

চৰাইৰ পিঠিৰপৰা তললৈ ফল সৰি পৰাদি সৰি সৰি পৰিবলৈ ধৰিছে। আৰু কিছুমানে নিজে নিজেই তললৈ জাঁপ দিবলৈ ধৰিছে।

আৰু উগ্ৰদত্তকো চৰাইৰ পিঠিৰপৰা জালাদ্বীপিয়াটোৱে ঠেলি তললৈ বগৰাই পেলালে। কিন্তু উগ্ৰদত্ত নমৰিল, এডৰা দলিচাহেন ঘাঁহনিৰ ওপৰত পৰাত কথমপি মৰণৰ হাত সাৰিল। কিন্তু উগ্ৰদত্তই নমৰিও প্ৰকৃতপক্ষে মৰাৰ ভাও জুৰিলে।

*

তলত থকা জালাদ্বীপিয়া কিছুমানে মৰাৰ দৰে পৰি থকা উগ্ৰদত্তক ভৰিৰে লাৰি-চাৰি চালে আৰু এটা জালাদ্বীপিয়াই ক'লে, "ইমান ওপৰৰপৰা পৰিল—ই আৰু নাবাঁচে।" আন এটাই ক'লে, "ইবাচিলেইবা কি—আৰু মৰিলেইবা কি। আমাৰ চৰ্দাৰে বিচৰা সুন্দৰীজনীক চৰ্দাৰক চমজাই দিয়া হৈছেই। এতিয়া আমাৰ ঢেৰ গুৰুত্বপূৰ্ণ কাম কৰিবলগীয়া আছে, ব'লা, যোৱা যাওক।"

মৰাৰ ভাও জুৰি পৰি থকা উগ্ৰদত্তই ইহঁতৰ কথা শুনি ভাবিলে ঃ মই জীয়াই থকাৰ কথা যদি ইহঁতে গম পায়—তেনেহ'লে আৰু ৰক্ষা নাথাকিব। মোক মাৰি—নেপেলাবও পাৰে। পিছে ইহঁতৰ কবলত থকা দিনবোৰত বাঁচি থাকিও মৰিহে থাকিব লাগিব।"

জালাদ্বীপিয়াহঁতৰ অন্যতম পলীয়া চৰ্দাৰ কন্ধই কৈ উঠিল, "সামন্ত সুদৰ্শনৰ সুন্দৰী-জীয়ৰী-চন্দ্ৰাক আমাৰ বৰ্ব্বন চৰ্দাৰৰ ওচৰলৈ লৈ যোৱা হৈছে আৰু তেওঁ নিশ্চয় এতিয়া চন্দ্ৰাক লৈ চেৰা-বলিয়াটো হৈ পৰিছে।"

উগ্ৰদত্তই যেতিয়া দেখা পালে যে তাত বাঘছালপিন্ধাহঁত এটাও নাই, তেতিয়া বান্ধোন খুলিবলৈ চেষ্টা কৰি থাকিল। কিন্তু দুৰ্ভাগ্যক্ৰমে এইবাৰো তাৰ প্ৰচেষ্টা সিমান ফলৱতী নহ'ল।

তিমানতে বেলিয়ে মূৰৰ ওপৰত থিয়

CHITRA

হৈছেহি। পিয়াহত উগ্ৰদত্তৰ অণ্ঠ-কণ্ঠ শুকাই যোৱা যেন লাগিল। অলপ খোৱাপানী লাগে। কিন্তু ক'ত পাব? কোনে দিব? উগ্ৰদত্তই চাৰিওফালে চাই ভাবিলেঃ পানী নাপাই, খাদ্য নাখাই, এই ঠাইতে মই মৰিম। মৰিবই লাগিব। অলপ সময়ৰ আগতেও যিকেইটা জ্বালা-দ্বীপিয়া ইয়াত আছিল, সিহঁত গুচি নোযোৱাহেঁতেন মোক নিশ্চয় পানী-টুনি নিদিয়াকৈ নাথাকিলহেঁতেন। কিন্তু—সিহঁত গ'ল কেনি? সিহঁত কফুৰৰ দৰে নোহোৱা হৈ গ'ল কেনেকৈ? নে—ভালুকদলৰ মানুহে সিহঁতক কোবাই মাৰি জবাই কৰিলেই! আচল কথানো কি?

*

এনেবোৰ প্ৰশ্নই যেতিয়া উগ্ৰদত্তৰ মনত থৌ-বাথৌ লগাই দিছিল, ঠিক তেতিয়াই কেইজনমান মানুহৰ কণ্ঠস্বৰ শুনি সি সেইফাললৈ ঘূৰি চালে। কিন্তু ঘূৰি চায়েই সি চৰখৰীয়াত পৰা যেন পালে। কাণ্ড দেখি প্ৰচণ্ড ভয়ৰ কোবত সি থাৰৰ নলকঁপাদি কঁপিবলৈ ধৰিলে।

উগ্ৰদত্তই দেখা পালে যে—গছ এজোপাৰ আঁৰৰপৰা দুটা কুকুৰনেচীয়া বাঘে তালৈ টঁ'টঁকৈ চাই আছে! এই দুটা তেজপিয়াক চাই উগ্ৰদত্তৰ দেহাৰ তেজ গোট মৰাৰ দৰে হৈ পৰিল। তাৰ হাত-ভৰি চেঁচা পৰি আহিল। সি চকুৰে প্ৰায় নেদেখা হ'ল। কিন্তু—মুহূৰ্তৰ ভিতৰতে অসম সাহসিকতাৰে উগ্ৰদত্তই তাৰ হেৰোৱা সম্বিত ঘূৰাই পালে।

· দেহৰ আটাইখিনি শক্তি সঞ্চয় কৰি উগ্ৰদত্তই বিকটভাৱে চিংকাৰ কৰি উঠিল, আৰু লগে লগেই কুকুৰনেচীয়া দুটা তীব্ৰ গতিৰে তাৰপৰা পলাই গ'ল। আৰু এনেকৈ, এক অভাৱিত উপায়েৰে উগ্ৰদত্ত জীয়া যমহেন সাক্ষাৎ মৃত্যু কুকুৰনেচীয়া দুটাৰ কবলৰপৰা ৰক্ষা পৰিল।

বেলিয়ে পশ্চিম দিশলৈ লাহ দিলে।

আৰু চাওঁতে চাওঁতে বেলি পৰ্বতৰ আঁৰলৈ গ'লগৈ। থিয় দুপৰৰ তৌ তৌৱা ৰ'দ আৰু নাই। তেতিয়া জিৰি জিৰিকৈ জুৰ বা বলি আছিল। উগ্ৰদত্ত অতিপাত ক্ষুধাৰ্ত্ত হৈ উঠিল। ক্লান্তিয়ে তাক জুমুৰি দি ধৰিলে। কিন্তু এই অৱস্থাতো সি সাৰে থাকিবলৈ দৃঢ়প্ৰতিজ্ঞ হ'ল। কিয়নো—কুকুৰনেচীয়া দুটাই যে তাক পুনৰআক্ৰমণ নকৰিব তাৰ নিশ্চয়তা তো একো নাই। গতিকে—দুৰ্ঘোৰ টোপনিয়ে তাক বাৰুকৈ জোকাই ল'লতো সি তাৰ চকুৰ পটাবোৰ একেবাৰে জাপ নুখুৱালে।

কিন্তু—মনৰ ইমান দৃঢ়তা কেতিয়া যে নোহোৱা হ'ল—সি ক'বকে নোৱৰা হ'ল, সি লাহে লাহে টোপনিৰ জালত ধৰা দিবলৈ বাধ্য হ'ল, আৰু এসময়ত টোপনিত লাল-কাল হৈ পৰিল।

*

টোপনিৰ মাজত কিহবাই তাক যেন আঁচুৰি থাকিল। সাৰ পাই উগ্ৰদত্তই পোনছাটে শোৱাৰপৰা উঠি বহিল আৰু চকা-চন্দা পোহৰৰ মাজত কিচকিচকৰে ক'লা কিবা এটাক তীৰ যোৱাদি গৈ থকা দেখা পালে। এই ধুমক'লা জন্তুটোক এটা ভালুক যেন বোধ হ'ল উগ্ৰদত্তৰ।

বহাৰপৰা থিয় হৈ উগ্ৰদত্তই সেই-

ফাললৈ সন্ধানী দৃষ্টিৰে চাই থাকোঁতেই কোনোবাই তাৰ পিছফালৰপৰা কৈ উঠিল, "এইফাললৈ আহক, ভালুকটো পলাই গ'ল—চিন্তা নাই।"

এই কথা শুনি উগ্ৰদত্তই বিজুলীবেগেৰে পিছফাললৈ ঘূৰি চালে। এই কথাখিনি কোৱা সেই মানুহজনৰ পিন্ধনত আছিল ভালুকৰ ছাল।

উগ্ৰদত্তই ক্ষুব্ধকণ্ঠেৰে সেই মানুহজনক ক'লে, "মোক আৰুনো কিমান দিনলৈ এনেকৈ বান্ধি ৰাখিবা? খুলি দিয়াচোন—। পিয়াহত মোৰ অণ্ঠ-কণ্ঠ শুকাই গৈছে, ভোকতো পেটৰ কেঁচু-কুমটি মৰিছে। মই

ক্ৰমাত চকুৰে নেদেখা হৈ পৰিছোঁ। এইদৰে থাকিবলৈ হ'লে মৰিম।"

ভালুকৰ ছাল পিন্ধা মানুহজনে উগ্ৰদত্তৰ বান্ধোন খুলি দিলে। ইতিমধ্যে আন দুজন মানুহো তালৈ আহিল। সিহঁতৰ মাজত এজনৰ ওচৰত খোৰাপানী আছিল। সেই মানুহজনে উগ্ৰদত্তক খোৱা পানী দিলে আৰু উগ্ৰদত্তই হেঁপাহ পপুৰাই পানী পি খাই তাৰ মৰুভূমিসদৃশ পিয়াহ গুচালে।

পানী খোৱাৰ পাছত উগ্ৰদত্তই তাৰ হেৰোৱা বল-শক্তিও ঘূৰাই পোৱা যেন হ'ল। সি যেনিবা নতুন জীৱন পোৱা হ'ল।

তাক ইমান টানকৈ বন্ধা হৈছিল যে বান্ধোন খুলি দিয়াৰ পাছতো সি তাৰ ভাৰ-হাত লৰাব নোৱৰা হৈ থাকিল। তাৰ পাছত খানিকমান চেষ্টা কৰি কৰি সি তাৰ আগৰ স্বাভাৱিকতাক ঘূৰাই আনিবলৈ কিয়ৎপৰিমাণে সমৰ্থ হ'ল।

ভালুকদলৰ এজনে উগ্ৰদত্তক সুধিলে, "খোজ কাঢ়িব পাৰিবা নহয় ?"

এই কথাৰ পোনপটীয়া উত্তৰ নিদিয়াকৈ উগ্ৰদত্তই সিহঁতক সুধিলে, "তোমালোক বাৰু—আমাৰ শত্ৰুনে মিত্ৰ কোৱাচোন ?"

ভালুকদলৰ এজনে উগ্ৰদত্তৰ প্ৰশ্নৰ উত্তৰত ক'লে, "আমাৰ দলৰ চৰ্দাৰেহে তোমাৰ এই প্ৰশ্নৰ উত্তৰ দিব পাৰিব। এতিয়া আমাৰ লগে লগে আহি থাকাঁ।"

"ব'লা।" এই বুলি কৈ, উগ্ৰদত্তই খোজ ল'বলৈ সাজু হ'ল। কেইমুহূৰ্তমানৰ পাছত সেই ভালুকদলৰ মানুহকেইজনে উগ্ৰদত্তক লগত লৈ এক অটব্য অৰণ্যৰ মাজেদি নীৰৱে-নিমাতে গৈ থাকিল।

গৈ গৈ অৰণ্যৰ সোঁমাজ পাই সিহঁত এচটা শিলৰ কাষত এখন্তেক ৰ'ল, আৰু সেই শিলচটা এফালৰপৰা দাঙি শিলচটাৰ তলত থকা খটখটিয়েদি আটাইকেউজন তললৈ নামি গ'ল। [অহা সংখ্যাত

আদৰ্শ

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, এয়া তোমাৰ কৰ্তব্যৰ প্ৰতি নিষ্ঠা নে অত্যধিক সাহস প্ৰদৰ্শন? কেতিয়াবা কেতিয়াবা অতি ভয়াতুৰ মানুহেও বাধ্যত পৰি মৰসাহ প্ৰদৰ্শন নকৰা নহয়। মোৰ কথা যে সত্য, এই কাহিনীভাগ শুনিলেই তাৰ প্ৰমাণ পাবা। এই কাহিনী শুনি শুনি গৈ থাকিলে আন লাভ একো নহ'লেও তোমাৰ পথশ্ৰম কিয়ৎপৰিমাণে নিশ্চয় লাঘৱ হ'ব।" এই বুলি কৈ, বেতালে ক'বলৈ ধৰিলে:

ব্ৰহ্মপুৰ নামৰ গাঁৱত সদা আৰু নদা

'বেতাল-কথা'

নামৰ দুজন নলেগলে লগা বন্ধু আছিল। সৰুৰেপৰাই সদা আছিল কোমলমনা। কিবা অন্যায় হোৱা বুলি জানিলেও সি মানি লৈছিল, সি কেতিয়াও ডাঙৰইঁতৰ মুখে মুখে মাত নামাতিছিল। কিন্তু নদা আছিল বিপৰীত। সি সদায় সকলোতে উচিত মাত মাতিছিল।

এবাৰ ব্ৰহ্মপুৰ গাঁৰত এজন পাকৈত তৰোৱাল খেলুৱৈ আহিল। তাৰ লগত তৰোৱাল-যুদ্ধ কৰি ব্ৰহ্মপুৰ গাঁৰৰ যুৱকইঁত এ‌কে এ‌কে হাৰিল। এই হাৰি যোৱাইঁতৰ মাজ সদা আৰু নদাও আছিল অন্যতম।

কিন্তু তৰোৱাল-খেলুৱৈয়ে—হাৰি যোৱা সত্বেও—সদাক বৰকৈ শলাগিলে। মানুহজনে সদাক ক'লে, "তোমাৰ তৰোৱাল হাতত লোৱাৰ কায়দা দেখিয়েই বুজিছিলোঁ যে তুমি অতি দক্ষ তৰোৱাল যুঁজাৰু। তোমাৰ তৰোৱাল যুঁৰ কায়দা কিটিপৰ মাজত মস্ত ডাঙৰ বীৰৰ লা-লক্ষণ দেখা পাইছোঁ। তোমাক মই মোৰ শিষ্য হিচাপে ল'ম বুলি ভাবিছোঁ।"

কিন্তু সদাৰ প্ৰচণ্ড ইচ্ছা থকা সত্বেও মাক-দেউতাক মান্তি নহ'ল। তেতিয়া নদাই শিষ্য হ'বলৈ খুজিলে; কিন্তু খেলুৱৈজন মান্তি নহ'ল। তেতিয়া নদাই সদাক ক'লে, "শুনা, ডাঙৰইঁতৰ কথাত সদায় তলমূৰ হৈ থাকিব নালাগে। ডাঙৰে যি কয় সেয়ে বেদৰ বচননে কি? তুমি এওঁৰ শিষ্য হৈ গুচি যোৱা।"

কিন্তু নদাৰ কথাত সদা মান্তি নহ'ল।

কিছুদিনৰ অন্তত ব্ৰহ্মপুৰত কাব্যযোগী নামৰ এগৰাকী কবি আহিল। তেওঁ নিজৰ কবিত্বৰ শক্তিৰে গাঁৱৰ ৰাইজৰ মন মুহিছিল। বহুতেই কাব্যযোগীক বিভিন্ন প্ৰশ্ন কৰিলে আৰু প্ৰশ্নকাৰীইঁতৰ মাজত সদাও আছিল এজন। কাব্যযোগীয়ে সদাৰ প্ৰশ্ন-চাতুৰ্য্যক শলাগি তাক তেওঁৰ শিষ্য হ'বলৈ আহ্বান জনালে। কিন্তু এইবাৰো সদাৰ মাক-দেউতাকে আপত্তি

দর্শালে আৰু তাৰ ফলত সদাৰ মনৰ ইচ্ছা মনত থাকিল।

তাৰ পাছত এদিন আহিল এজন সংগীতশিল্পী। এইগৰাকী সংগীতবিদেও সদাক তেওঁৰ শিষ্য হিচাপে লোৱাৰ ইচ্ছা প্ৰকাশ কৰিলে। কিন্তু সদাৰ মাক-দেউতাকৰ অমত। আৰু তেওঁলোকৰ অমততে সদাৰ মত। সদা এইবাৰো নগ'ল।

এইদৰে, যিসকল খ্যাতিমান মানুহ গাঁৱলৈ আহে—সদাক সদায় শিষ্য হিচাপে ল'ব খোজে। সদা গাঁৱৰ ৰাইজৰ আলোচনাৰ পাত্ৰ হৈ উঠিল। নদাৰ ভনীয়েক নবীনাই সদাক বিয়া কৰাব বুলি তাইৰ মাকক ক'লে। কিন্তু সদাৰ মাক-দেউতাকে মত নিদিয়া হ'ল।

এনেকুৱা কিবা এটা হ'ব বুলি নদায়ে জানিছিলেই। সি সদাক ক'লেগৈ, "সদা, তোৰ মাক-দেউতাকৰ কথাত ইমান গুৰুত্ব নিদিলেও হ'ব। তই নবীনাক বিয়া কৰাবিনে নকৰাৱ—তাকে ক'চোন ?"

"মোৰ ইচ্ছা নথকা নহয় পিছে—মা-দেউতাক অনুমতি বিনে বিয়া ?"

সদাৰ দেউতাকে নদাক ক'লে, "তোমা-লোকৰ মাটি-ভেটি, খেতি-পথাৰ আদি আমাক দিয়া যদি—নবীনাক আমি বোৱাৰী হিচাপে ল'ম।"

আৰু এই চৰ্তমতে সদাৰ লগত নদাৰ ভনীয়েক নবীনাৰ বিয়া হৈ গ'ল।

বিয়াত হোৱা চুক্তিমতে ঘৰ-দুৱাৰ পথাৰ-সমাৰ সকলো যৌতুক হিচাপে দিবলগীয়া হোৱাত—নিজৰ ঘৰৰে এটা কোঠাত থকা হেতুকে নদায়ে সদাইতক কোঠাটোৰ বাবে ভাৰা দিবলগীয়া হৈছিল। খেতি-পথাৰৰ ফচল বেচি সেই টকাও সদাৰ দেউতাকক দিছিল।

নবীনাই এইবোৰ কথাত বেয়া পাইছিল—যদিও তাই তাইৰ গিৰিয়েকক এই বিষয়ে একো নোকোৰাটোকে সাব্যস্ত কৰিছিল। তাই ভাবিছিল ঃ গিৰিয়েকটো

ইমানেই মাতৃ-পিতৃভক্ত যে—তাক এই-বিষয়ে কৈ-মেলি একো লাভ নহ'ব।

কেইবছৰমান পাছৰ কথা। এতিয়া সদাৰ মাক-দেউতাক বুঢ়া হ'ল। তেতিয়া—ককায়েকৰ ঘৰ-দুৱাৰ খেতি-পথাৰ আদি ওভোতাই দিয়াৰ মন গ'ল নবীনাৰ। কিন্তু নবীনাৰ এই প্ৰস্তাৱত ককায়েক নদা মান্তি নহ'ল! এই কথাত নবীনা খং জাৰে তাইৰ শহুৰ-শাহুৰেকৰ ওপৰত।

ভনীয়েকৰ কাণ্ড চাই নদাই আচৰিত মানিলে। তেতিয়া নদাই সদাক ক'লেগৈ যে এহাল বুঢ়া-বুঢ়ীক নিতৌ জল-কলা কৰাৰপৰা সদাই নবীনাক কৈ-মেলি ৰেহাই দিয়াৰ বন্দৰস্ত কৰক। কিন্তু নদাৰ কথাৰ উত্তৰত সদাই অক্ষমতাহে প্ৰকাশ কৰিলে।

এই বছৰটোত খেতি-খোলা একো নহ'ল। সমগ্ৰ অঞ্চলটোকে খৰে কোবাই গ'ল। ঘৰে ঘৰে হাহাকাৰ আৰু চকুলোৰ ধাৰ। এনে ভয়াবহ আকালৰ নাই কোনো প্ৰতিকাৰ।

এদিন নবীনাই তাইৰ গিৰিয়েক সদাক ক'লে, "তুমি আৰু ককাইদেউ—দুয়ো মিলি ৰাজধানীলৈ গৈ ৰজাৰ তলত কাম লোৱাৰ চেষ্টা কৰাগৈ। দেশত আকাল—ভঁৰালো উদং।

নবীনাৰ কথামতে সদা আৰু নদা ৰাজধানীলৈ গৈ থাকিল। সিহঁতৰ সৌভাগ্য বুলিয়েই ক'ব লাগিব, ৰাজধানী গৈ পোৱাৰ আগতেই, মাজ বাটতে সিহঁতে ৰজাৰ দৰ্শন পোৱা হ'ল। ৰজাই তেতিয়া চিকাৰৰপৰা উভতি আহিছিল। সদা আৰু নদাই সাহসৰে সৈতে ৰজাক সকলো বৃত্তান্ত ক'লে।

সকলো শুনাৰ অন্তত ৰজাই সিহঁতক ক'লে, "চোৱাঁ, মোৰ অধীনত কাম কৰাহঁত সাহিয়াল হ'বই লাগিব। ভয়াতুৰবিলাকক মই কেতিয়াও কামত নলওঁ। মই তোমালোকৰো সাহসৰ পৰীক্ষা ল'ম, তাৰ পাছতহে কামৰ কথা ক'ম।"



পাছদিনা ৰজাই সদা আৰু নদাৰ সছ-পিতৰ পৰীক্ষা ল'ব। সিহঁতক লৈ যোৱা হ'ল দুটা ডাঙৰ ডাঙৰ বাঘৰ গৰালৰ ওচৰলৈ। বাঘ দুটা ভুকীয়া হৈয়েই আছিল। ৰজাই সদা আৰু নদাক ক'লে, "চিকাৰলৈ ওলাই কালিহে এই বাঘ দুটাক ধৰি আনিলোঁ, এতিয়ালৈকো সিহঁতক একো খাবলৈ দিয়া নাই। তোমালোকে হাতত কোনো ধৰণৰ অস্ত্র নোলোৱাকৈ এই গৰালত সোমাবা আৰু বাঘৰ সৈতে যুঁজি সাহৰ প্ৰমাণ দিবা। —পাৰিবানে? ৰাজী?"

"মহাৰাজ, আপোনাৰ এই প্ৰস্তাৱ ন্যায্য নহয়। সাহস থাকিলেই যে জানি-বুজিও আত্মঘাতী হ'ব লাগিব—তাৰ কোনো অৰ্থ নাই। ভুকীয়া বাঘৰ আগত নিৰস্ত্র মানুহ—তাৰ মানে জানি-বুজি আত্মহত্যা।" নদাই ৰজাক ক'লে।

কিন্তু সদাই ৰজাক ক'লে, "মহাৰাজ! মই এই কাম পাৰিম।"

"চা—ব্বাইচ!" ৰজাই কৈ উঠিল, "যোৱা, বাঘৰ গৰালত সোমাই যোৱা।"

নদাই খোজ বঢ়োৱা সদাৰ বাট ভেটি ধৰি ৰজাক ক'লে, "সদা যে কেনে ডাঙৰ সাহিয়াল, আপোনাক অলপমান কওঁ, মহাৰাজ। সি জীৱনত কোনোদিনে তাৰ দেউতাকৰ আনকি অন্যায় কথাৰ বিৰুদ্ধেও মাত মাতিব নোৱাৰিলে। সদাৰ ঢেৰ গুণ আছিল। কিন্তু সদায় ভয়ৰ কোবত ঠৰ হৈ থকাৰ অভ্যাস কৰাত তাৰ গুণ-বোৰত মামৰে ধৰিলে। সি তাৰ পৰিবাৰৰ কথাতহে আপোনাৰ অধীনত চাকৰি বিচাৰি ওলাইছে, তাৰ নিজৰ বুদ্ধিৰে নহয়। আপোনাৰ অন্যায় প্ৰস্তাৱৰ প্ৰতিবাদ কৰিব নোৱাৰি যে সি বাঘৰ গৰাললৈ—তথা জানি-বুজি যম ৰজাৰ আলহী হ'বলৈ ওলাইছে সেই কথাত মোৰ অলপো সন্দেহ নাই। সি মৰিলে মোৰ ভনীজনী বাঁৰী হ'ব। আপুনি

প্ৰজাপালক ৰজা, দয়া কৰি তাক ৰক্ষা কৰক, বাঘৰ লগত ধেমালি কৰাৰপৰা অব্যাহতি দিয়ক।”

নদাৰ কথাত ভাল পাই ৰজাই ক'লে, “মোৰ জীৱনতে প্ৰকৃততে সাহিয়াল মানুহ—এয়েহে প্ৰথমবাৰ দেখা পালোঁ। মই তোমাৰ সাহৰ শলাগ লৈ তোমাক আৰু লগতে সদাকো কামত ল'লোঁ।”

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক'লে, “হে ৰজা! সদাৰ আচৰিত আচৰণে মোকো আচৰিত কৰি তুলিছে। ৰজাৰ আচৰণো আচৰিত ধৰণৰ। সদা যে পুৰুষ নহয়, এটা কাপুৰুষ—সেই কথা প্ৰথমেৰেপৰাই স্পষ্ট। তথাপি সি বাঘৰ গৰালৈ বুলি খোজ লৈছিল কিয়? আৰু তথাপি—ৰজাই সদাৰ সাহসৰ শলাগ নলৈ বাঘৰ ভয়তে পিছ হুঁহকি যোৱা নদাক সাহসী বুলি শলাগিলে কিয়? মোৰ এই প্ৰশ্নৰ উত্তৰ জনা সত্বেও যদি সঠিককৈ নিদিয়া, তেনেহ'লে তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।”

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, “সেই তৰোৱাল খেলুৱৈৰেপৰা আৰম্ভ কৰি ৰজাৰ প্ৰস্তাৱলৈ যিবোৰ কথা-কাণ্ড ঘটিছিল, আটাইবোৰেই সদাৰ কাপুৰুষালিৰ চিনাকি দাঙি ধৰিছিল। মাক-দেউতাক বা পৰিবাৰ যেৰেই যি নকৈছিল—সদাই সদায় মানি লৈছিল। এতেকে ৰজাৰ কথাও সদায় মানিবলগীয়া হৈছিল। সদাৰ নিজস্ব বিচাৰবুদ্ধি বোলা একো নাছিল, নাছিল ব্যক্তিত্ব। কিন্তু নদাৰ নিজস্বতা তথা ব্যক্তিত্ব আছিল বুলিয়েইহে সি ৰজাৰ প্ৰস্তাৱৰ বিৰুদ্ধে মাত মাতিব পাৰিছিল। নদাৰ ব্যক্তিত্বৰ শলাগ লৈ ৰজাই তেওঁৰ বিবেচনাবোধৰ পৰিচয় দাঙি ধৰিছিল।”

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত



চোৰৰ পৰীক্ষা

সুবৰ্ণগিৰিৰ ৰজা সুন্দৰবৰ্মা অতি ধাৰ্মিক তথা ন্যায়পৰায়ণ। দেশৰ প্ৰতিটো সমস্যাৰ সমাধান কৰাৰ বাবে ৰজাই আন্তৰিকাবে চেষ্টা কৰিছিল। প্ৰজাবৰ্গই ৰজাক অন্তৰৰে ভাল পাইছিল।

এদিন প্ৰহৰী কেইজনমানে দুজন মানুহক ধৰি ৰাজসভালৈ লৈ আহিল। প্ৰহৰীহঁতে টকাৰ মোনা এটা দেখুৱাই ৰজাক ক'লে যে এই মানুহ দুজনে টকাৰ মোনাটো নিজৰ নিজৰ বুলি কৈছে।

সামান্য সময় ধৰি ভবা-গুণা কৰি সেই টকাৰ মোনাটোক ৰজাই তেওঁৰ সমুখত থৈ—প্ৰহৰীহঁতে ধৰি লৈ অহা মানুহ দুজনক ক'লে, "প্ৰকৃততে এই টকাৰ মোনাটো যাৰ—সাহসৰে সৈতে মোৰ সমুখৰপৰা এতিয়াই লৈ যোৱাহি।"

লগে লগে এজন খৰ খোজেৰে আগুৱাই আহিল আৰু মোনাটো ৰজাৰ সমুখৰপৰা লৈ গ'ল। ৰজা সুন্দৰবৰ্মাই আন মানুহজনক তৎক্ষণাৎ বন্দী কৰিবলৈ প্ৰহৰীহঁতক আদেশ দিলে।

চকু চাওঁতেই যে চোৰ ধৰা পৰিব—কোনো এজনেও কল্পনাও কৰিব পৰা নাছিল। সাধাৰণ লোকৰ কথা বাদেই—আনকি মন্ত্ৰীবৰ্গয়ো অবাক মানিলে। মহামন্ত্ৰীয়ে ৰজাক সুধিলে, "মহাৰাজ, চোৰ ধৰাৰ এনে অভিনৱ কৌশল আপুনি আৱিষ্কাৰ কৰিলেনো কেনেকৈ?"

মহামন্ত্ৰীৰ প্ৰশ্নৰ উত্তৰত সুন্দৰবৰ্মাই ক'লে, "টকাৰ মোনাটো যে দুজনৰ নহয়—সেই কথাটো তো স্পষ্ট। আৰু টকাখিনি যাৰ—তাৰ সংসাহস নিশ্চয়

নৰেন গোহাঞি

থাকিব। মোৰ আদেশ শুনি চোৰে নিশ্চয় ভাবিব যে ৰজাই কোৱামাত্রেই টকাৰ মোনাটো যদি লওঁগে—ৰজাই মোকেইহে চোৰ বুলি ভাবিব। সেয়েহে, চোৰটোৱে তাপ মাৰি থাকিবই। আৰু প্ৰকৃতপক্ষে টকা যাৰ, সাহসো তাৰ। মোৰ এই ধাৰণা সঠিক হ'ল, টকাৰ মোনাটোৰ প্ৰকৃত গৰাকীয়ে পোনকোৱেই আগুৱাই আহি নিজৰ বস্তু লৈ গ'ল, আৰু অতি সহজেই মোৰ কাম সিজিল।"

কিন্তু ৰজাৰ কথাই মহামন্ত্ৰীক বৰ বেছি তুষ্ট কৰিব নোৱাৰিলে।

তেতিয়া ৰজা সুন্দৰবৰ্মাদেৱে ৰাজসভাস্থ সকলোটিৰ মুখতে অনাস্থাৰ ভাব দেখা পাই ক'লে, "মোৰ বক্তব্যই হয়তো আপোনালোকক পৰিপূৰ্ণভাৱে পৰিতুষ্ট কৰিব পৰা নাই—।"

"আপোনাৰ অনুমান সত্য, মহাৰাজ।" মহামন্ত্ৰীয়ে তৎক্ষণাৎ কৈ উঠিল।

"তাৰ হেতু কি?" ৰজাই সুধিলে।

মহামন্ত্ৰীয়ে ক'লে, "হেতু — হেতু সম্পৰ্কেও নিশ্চিন্ত নহওঁ মই, পিছে—যিজনক আপুনি কাৰগাৰলৈ পঠালে—টকাখিনি যদি প্ৰকৃতপক্ষে সেইজনৰ হয়—তেওঁৰ মনৰ অৱস্থা নিশ্চয় অতি দুখলগা।"

"এটা কথালৈ মন কৰক।" ৰজাই কৈ থাকিল, "সেই মানুহজন চোৰ নোহোৱাহঁতেন—একো মাত নামাতি, তলমূৰ হৈ প্ৰহৰীহঁতৰ পিছে পিছে নীৰৱে-স্বেচ্ছাই কাৰাগাৰলৈ গ'লহেঁতেননে? এটা পোক-পৰুৱায়ো প্ৰতিবাদ নকৰাকৈ নাথাকে; কিন্তু সেই মানুহজনে দেখোন একেবাৰেই প্ৰতিবাদ নকৰিলে! গতিকে নিঃসন্দেহে—সিয়েই প্ৰকৃত চোৰ।"

ৰজাৰ উপস্থিত বুদ্ধি আৰু ন্যায়বিচাৰৰ অপাৰ ক্ষমতাৰ প্ৰমাণ পুনৰ এবাৰ পাই, ৰাজসভাত থকা সকলোটিয়েই ৰজা সুন্দৰবৰ্মাৰ নামত জয়ধ্বনি দিলে।

আমাৰ দেশৰ বিচিত্ৰ কথা

গোল গুম্বজ

শক্তিস্বৰূপিণী অম্বা আছিল এই অঞ্চলৰ সৰ্বপ্ৰথম অধিকাৰিণী। অম্বা আছিল সকলোৰে আৰাধ্যা। অম্বাৰ নামতে এই অঞ্চলক অম্বাৱতী নামেৰে অভিহিত কৰা হৈছিল। অম্বাৱতী পৰৱৰ্তীকালত অম্বৰ হ'ল। এই অঞ্চলক শত্ৰুমুক্ত অঞ্চল হিচাপে গঢ়ি তুলিবলৈ অট্টালিকা এটা সজা হৈছিল।

দশম শতিকাত গোৱালিয়ৰৰ ৰাণীয়ে নিজৰ শিশুপুত্ৰক ৰক্ষা কৰিবলৈ গাঁৱলীয়া বোৱাৰীৰ সাজ পোছাক পিন্ধি, এটা পাচিৰ ভিতৰত শিশুটিক ভৰাই লৈ অম্বৰলৈ বুলি ৰাওনা কৰিলে।

অম্বৰ তেতিয়া আৰু বেছিদূৰ নহয়, ৰাণী অতি ক্ষুধাৰ্ত আৰু তৃষ্ণাকাতৰ হ'ল। তেওঁ পাচিটো বাটৰ দাঁতিত থৈ অলপ আঁতৰৰপৰা ফল বুটলি আনিলেগৈ। কিন্তু এটা বিৰাট সাপে ফেঁট মেলি পাচিটোৰ ভিতৰত থকা শিশুপুত্ৰটিক পৰ দি থকা দেখি তেওঁ স্তম্ভিত হ'ল। তেওঁক দেখা পাই সাপটো তাৰপৰা গুচি গ'ল।

এগৰাকী ব্ৰাহ্মণেও আঁতৰৰপৰা এই ঘটনা দেখা পাইছিল। ব্ৰাহ্মণে ৰাণীক ক'লেহি যে এই শিশুপুত্ৰ এদিন ৰজা হ'ব। ৰাণী অম্বৰলৈ গ'ল আৰু তাত ৰজাৰ ৰান্ধনি হিচাপে কাম ল'লে। ৰজাই এইগৰাকী অভিজাত ৰান্ধনিক যথেষ্ট মৰ্য্যাদা দিছিল।

ডাঙৰ হৈ গোৱালিয়ৰৰ ৰাণীৰ পুত্ৰ ধোলাৰায় নাম লৈ সিংহসনত অধিষ্ঠিত হ'ল। তাৰ পাছত একে একে ভালেমান ৰজা এই সিংহাসনত অধিষ্ঠিত হৈছিল আৰু প্ৰতিগৰাকী ৰজায়েই অম্বৰ দুৰ্গৰ সংস্কাৰ সাধন কৰিছিল।

দ্বিতীয়গৰাকী ৰজা জয়সিংহদেৱে (১৬৯৯—১৭৪৫) জয়পুৰ নগৰ সাজি ইয়াতে ৰাজধানী পাতিবলৈ মন মেলিলে। মোগল বাদশ্বাহ শ্বাহ আলমে এবাৰ অম্বৰ দুৰ্গ আক্ৰমণ কৰিছিল। কিন্তু জয়সিংহই মোগল সৈন্যক বিতাড়িত কৰিছিল।



অম্বৰ দুৰ্গ মধ্যযুগৰ অসাধাৰণ শিল্প-নৈপুণ্যৰ স্বাক্ষৰ। এই দুৰ্গৰ অসংখ্য বৈশিষ্ট্যৰ মাজত দুটা বিশেষ বৈশিষ্ট্য হ'ল—সূৰ্য্যৰশ্মি আৰু চন্দ্ৰৰ কিৰণ প্ৰতি-ফলিত কৰা দুখন দ্বাৰ। এই দ্বাৰ দুখনৰ নাম হ'ল যথাক্ৰমে—সূৰযপোল্ আৰু চন্দ্ৰপোল্।

এই দুৰ্গৰ দিৱান-ঈ-আম্ অতি মূল্যৱান পাথৰ-বাথৰেৰে ৰজা জয়সিংহই নিৰ্মাণ কৰিছিল। এনেহেন বিৰাট আয়তনৰ মণ্ডপ অৰ্থাৎ ৰভাঘৰ প্ৰকৃততেই বিস্ময়কৰ। কোৱা হয় যে এই ৰভাঘৰ পৰিদৰ্শন কৰি সম্ৰাট শ্বাহজাহানো বিস্ময়ত অভিভূত হৈছিল।





অম্বৰ দুৰ্গ পৰিদৰ্শন কৰি আজিৰ দিনতো হাজাৰ-বিজাৰ মানুহে বিস্ময় মানে। এই দুৰ্গৰ হাতীশালও অন্যতম দ্ৰষ্টব্য। বৈচিত্ৰ্যৰে ভৰপূৰ আমাৰ দেশৰ অন্যতম দুৰ্গ হিচাপে অম্বৰ দুৰ্গৰ নাম অবিস্মৰণীয় হৈ আছে।



সোণ-বলিয়া

নৰৱেৰ এখন নগৰত এজন আঢ্যৱন্ত মানুহ আছিল আৰু তেওঁৰ আছিল দুজন ল'ৰা।" এই আঢ্যৱন্ত মানুহজনৰ কেৱল নগৰতে ধন-সম্পত্তি নাছিল, সাগৰৰ বুকুত থকা দ্বীপ এটাৰো তেওঁ গৰাকী আছিল। সেই দ্বীপলৈ গৈ তেওঁ মাছ মাৰিছিল।

ল'ৰা দুজন মাজত ডাঙৰ ল'ৰাজন আছিল গহীন-গম্ভীৰ। সি তাৰ মনৰ কথা কাকো নকয়, কি কৰিব-নকৰিব কোনেও তাৰ কামৰ ভু নাপায়। কিন্তু সৰুজন আছিল ডাঙৰৰ বিপৰীত। সি আছিল সাহিয়াল ল'ৰা। সি নিজক নিজে 'ধুমুহা' বুলি কৈছিল। সি কেতিয়াবা কেতিয়াবা অত্যন্ত দুঃসাহসৰ কাম কৰি বিপাঙত পৰিছিল; তথাপি তেনেবোৰ কাম নকৰাকৈ থকা নাছিল সি।

এদিন আঢ্যবন্ত মানুহজন ঢুকাল। তেওঁৰ যাৱতীয় সা-সম্পদৰ মালিক হ'ল তেওঁ ল'ৰা দুজন। দ্বীপটোৰ মালিকো সিহঁতেই হ'ল। সিহঁত জহৰ দিনত সেই দ্বীপলৈ গৈ প্ৰচুৰ পৰিমাণে মাছ মাৰিছিল, আৰু বাৰিষাৰ লগে লগে ঘৰলৈ উভতি আহিছিল। দ্বীপত থাকোঁতে সিহঁতে শুনিছিল যে জাৰকালি তাত হেনো জলদস্যুহঁত ওলায়হি।

এবাৰ প্ৰচুৰ পৰিমাণে মাছ ধৰাৰ অন্তত ভাই-ককাই দুয়ো উভতি গৈ থাকোঁতে হঠাৎ সিহঁতৰ মনত পৰিল যে সিহঁতে দ্বীপত ভালেমান বয়-বস্তু ভুলতে এৰি থৈ আহিল। কিন্তু তেতিয়া গধূলি হওঁ হওঁ। ডাঙৰে সৰুক ক'লে, "এতিয়াই পুনৰ দ্বীপলৈ যোৱাটো ভাল নহ'ব।

'নৰৱেৰ লোক-কাহিনী'

আৰু ধুমুহাও উঠিব পাৰে। বৰঞ্চ কালিলৈ পুনৰ দ্বীপলৈ ওলাম।"

"ধুমুহাইনো কি কৰিব? যাওঁ ব'লা।" সৰুৱে ক'লে। সৰুৰ আগ্ৰহত 'হয়' দিবলগীয়া হ'ল ডাঙৰে, আৰু পুনৰ দ্বীপলৈ যাবলৈ বাধ্য হ'ল।

গৈয়েই দুয়ো টোপনিত লাল-কাল হৈ পৰিল। ৰাতি পুৱাল। আৰু—সাৰ পাই সৰুৱে তাৰ ককায়েকক তাত দেখা নাপালে। কথা মাথোন সিমানেই নহয়, সিহঁতৰ নাওখনো তাত নধকা দেখি অলপ ভেবা লাগিল সি। পিছে—খাদ্যসামগ্ৰী, বন্দুক আৰু অন্যান্য সকলুবা ইটো-সিটো যাৱতীয় বস্তু ঠিকে-ঠাকে আছিল।

সৰুৰ সাহস আছে, সেইদেখিহে সি সন্ধ্যালৈকে ককায়েকলৈ বাট চাব পাৰিলে। কিন্তু মাত্ৰ সেই সন্ধ্যায়েই নহয়, তেনেকুৱা বহু সন্ধ্যা পাৰ হৈ গ'ল, পাৰ হ'ল সপ্তাহ, মাহ—তথাপি তাৰ ককায়েক উভতি নাহিল।

তেতিয়া সৰুৱে ভাবিলে যে—তাৰ ককায়েক সকলো সা-সম্পত্তি অকলেই ভোগ কৰাৰ মনেৰে তাক এইদৰে নিৰল-নিৰ্জন দ্বীপত এৰি থৈ গুচি গ'ল।

সৰুৰ এই ধাৰণা মিছা নাছিল। ককায়েকে সঁচাকৈয়েই প্ৰচাৰ কৰিছিল যে তাৰ ভায়েক সাগৰত ডুবি মৰিল।

সৰু আছিল সাহিয়াল। সেয়েহে সি হতাশাত দমি নগ'ল। সি সেই দ্বীপতে মাছ মাৰি, বন্দুকেৰে চৰাই চিকাৰ কৰি সেইবোৰ খাই জীৱন যাপন কৰি থাকিল। কিন্তু নাওখন নোহোৱাত একোপধ্যে দ্বীপৰপৰা ওলাই আহিব নোৱাৰিলে সি।

এইদৰে জহ গ'ল, বাৰিষাও পাৰ হ'ল, আৰু আহিল জাৰৰদিন। জাৰৰদিনত যদি সঁচাসঁচিকৈ জলদস্যু আহে—আহকেই। জলদস্যুইতো মানুহেই। যি হয় হওক। মোৰ আছেনো কি? সিহঁতে বাৰু মোৰ কিনো কাড়ি ল'ব? আহকেই সিহঁত।

আৰু জাৰকলীয়া এনিশা সাগৰৰ বুকুত বাজি উঠিল বাদ্যযন্ত্ৰ। বাদ্যযন্ত্ৰৰ শব্দ শুনি সি ঘৰৰপৰা পোনকোবে ওলাই আহিল আৰু সাগৰৰ বুকুত পোহৰ আৰু পালতৰা নাও দেখা পালে। নাওখন ক্ৰমাত আগুৱাই আহিল আৰু নাৱৰ ভিতৰত ভালেমান মানুহ আৰু নাচি থকা গাভৰু এজনীও সৰুৰ দৃষ্টিগোচৰ হ'ল। এইবোৰ চাই-চিন্তি সৰুৱে তাৰ একমাত্ৰ লগৰীয়া বন্দুকটো হাতত লৈ ঘৰৰ চালত উঠিলগৈ।

অলপ পাছত নাৱৰ আৰোহীহঁত সেই নাচি থকা গাভৰুজনীক লগত লৈ নাৱৰপৰা তীৰলৈ উঠি আহিল আৰু ঘৰটোৰ ভিতৰত সোমাল। সিহঁতে ঘৰত সোমায়েই পুনৰ নাচন-বাদন আৰম্ভ কৰি দিলে আৰু সিহঁতে লৈ অহা সোণৰ চেকুৰাবোৰ ঘৰৰ অ'ত ত'ত দ'মাই থ'লে।

তাৰ পাছত খোৱা-পিয়া। আৰু খোৱা-পিয়াৰ অন্তত পুনৰ নাচ-গান হৈ-হাল্লা। নাচি থকা গাভৰুজনীক এটা দস্যুৱে হাতত ধৰি টন-আঁজোৰা কৰি থাকিল। কিন্তু গাভৰুজনীয়ে দস্যুটোক প্ৰচণ্ড জোৰেৰে ঠেলা মাৰি বগৰাই পেলোৱাত বাদবাকী দস্যুহঁতে হে হে হো হোকৈ হাঁহি উঠিল। আৰু এই ছেগতে সৰু ঘৰৰ চালৰপৰা নামি আহি, নাওখনক ভালকৈ বান্ধি থৈ, ঘৰৰ ঘাই দুৱাৰত থিয় হৈ শূন্যলৈ গুলীয়ালে।

বন্দুকৰ গুলীৰ শব্দত উচপ খাই উঠি দস্যুহঁত যি যেনিয়েদি পাৰিল পলাই সাৰিলে। ঘৰৰ ভিতৰত তেতিয়া থাকিল কেৱল সেই গাভৰুজনী।

গাভৰুজনীয়ে সৰুক তাইৰ দুখৰ কাহিনী ক'লে। এই জলদস্যুহঁতে তাইক নিচেই সৰুতে ধৰি লৈ আহিছিল আৰু তেতিয়াৰেপৰা বাধ্যত পৰি তাই সিহঁতৰ লগত আছে। সৰুৱে গাভৰুজনীক আশ্বস্ত কৰিলে যে তাইৰ আৰু একো ভয় নাই।

তাৰ পাছত জলদস্যুহঁতে এৰি থৈ যোৱা সোণৰ চেকুৰাবোৰ আৰু গাভৰুজনীকো লগত লৈ, জলদস্যুহঁতৰ সেই নাৱত উঠি সকৰে সাগৰ পাৰ হৈ নগৰ পালেগৈ। তাত সকৰে এই গাভৰুজনীক বিয়া কৰালে আৰু নগৰৰে আন এঠাইত বসবাস কৰিবলৈ ধৰিলে।

কিছুদিনৰ অন্তত সকৰ ককায়েক ডাঙৰেও এই বাতৰি নোপোৱাকৈ নাথাকিল। লগতে—জলদস্যুহঁতে এৰি থৈ পলাই যোৱা সোণৰ চেকুৰাবোৰৰ কাহিনীও ওলাই পৰিল আৰু ডাঙৰে ঈৰ্ষাত ডেই-পুৰি যোৱা হ'ল।

সকৰ সৈতে কোনো ধৰণৰ যোগাযোগ নকৰি ডাঙৰে পোনে পোনেই সেই দ্বীপ পালেগৈ। তেতিয়াও জাৰৰ দিন। ৰাতিৰ পৰতে ডাঙৰে ভালেমান জলদস্যুক সাগৰৰ বুকুৰেদি এই দ্বীপলৈ সাঁতুৰি অহা দেখা পাই অতি উত্তেজিত তথা আনন্দিত হৈ উঠিল। ডাঙৰে ভাবিলে ঃ এইবাৰ! ময়ো সকৰদৰে দ'মে দ'মে সোণৰ গৰাকী হ'ম।

সাঁতুৰি সাঁতুৰি যিহঁত দ্বীপলৈ আহিছিল, সিহঁতৰ পিন্ধনত আছিল চামৰাৰ সাজ-পাৰ। ইহঁতক তীৰলৈ উঠি অহা দেখা পায়েই ডাঙৰে ঘৰৰ চাল পালেগৈ। দস্যুহঁত ঘৰৰ ভিতৰত সোমালগৈ, ঘৰত থকা বয়-বস্তুবোৰ ভাঙি টুকুৰা-টুকুৰ কৰি পেলালে, আৰু পুনৰ সাগৰৰ পানীত জঁপিয়াই পৰি সাঁতুৰি সাঁতুৰি দ্বীপ এৰি গুচি যাবলৈ ধৰিলে।

ডাঙৰ একেবাৰে হতাশ হ'ল। ভবা মতে একোৱেই নোপোৱা হ'ল সি। সি বহুকষ্টেৰে তাৰ ঘৰলৈ উভতি আহিল। তেতিয়াৰেপৰাই সি সদাই 'সোণ লাগে—মোক লাগে, মোণে মোণে দ'মে দ'মে সোণ' —এই বুলি চিঞৰি চিঞৰি এদিন সোণ-বলিয়া হৈ পৰিল।

উত্তৰ-ৰামায়ণ

১২

শম্বূকক বধ কৰাৰ অন্তত ৰামচন্দ্ৰ অযোধ্যালৈ উভতি গ'ল। প্ৰাসাদ পায়েই শ্ৰীৰামচন্দ্ৰই ভৰত আৰু লক্ষ্মণক মাতি আনিবলৈ দুৱৰীক ক'লে। দুৱৰীৰপৰা ৰামচন্দ্ৰই আহ্বান কৰাৰ বাতৰি পাই লগে লগে ভৰত আৰু লক্ষ্মণ জ্যেষ্ঠভ্ৰাতা ৰামচন্দ্ৰৰ কাষ চাপিল।

প্ৰাথমিক বাৰ্তা-বিনিময়ৰ পাছত শ্ৰীৰামচন্দ্ৰই ভৰত আৰু লক্ষ্মণক ক'লে, "শুনা ভৰত, শুনা হে লক্ষ্মণ! সমস্ত পাপ খণ্ডনৰ বাবে মই এখন ৰাজসূয় যজ্ঞ পাতিম বুলি স্থিৰ কৰিছোঁ। প্ৰাচীনকালত মিত্ৰ আৰু চন্দ্ৰই ৰাজসূয় পাতি অমৰকীৰ্তি লভিছিল। তেওঁলোকৰ নাম যাৱচ্চন্দ্ৰ-দিৱাকৰ মানৱৰ মুখে মুখে কীৰ্তিত হৈ থাকিব। ময়ো ৰাজসূয় যজ্ঞ পতাৰ বাসনা কৰিছোঁ। এই বিষয়ে তোমালোকৰ মতামত কি মোক নিৰ্দ্ধিধাই কোৱা।"

ৰামচন্দ্ৰৰ প্ৰশ্নৰ উত্তৰত ভৰতে ক'লে, "হে জ্যেষ্ঠভ্ৰাতা! তোমাৰ ধৰ্মত তুমি অটল। সৰ্বত্ৰ তোমাৰ কীৰিতি পৰিদৃষ্ট, তোমাৰ সুনাম পৰিব্যাপ্ত। এতিয়া—ৰাজসূয় যজ্ঞ পাতিবলৈ হ'লে অসংখ্য ৰজাৰ বিৰুদ্ধে যুদ্ধলিপ্ত হ'ব লাগিব, অসংখ্যাত প্ৰাণহানি ঘটিব, অনেক ৰাজবংশ ধ্বংস হ'ব। এতেকে—যিহেতু তোমাৰ খ্যাতি ভুৱনবিদিত, সিহেতুকে ৰাজসূয় যজ্ঞ পাতি সাৰ্বভৌম নৰপতিৰ খ্যাতি

লাভ কৰাৰ কোনো আৱশ্যকতা নেদেখোঁ। এই বিষয়ে মোৰ ব্যক্তিগত মত এয়ে।"

ভৰতৰ কথাত ৰামচন্দ্ৰই ভালেই পালে। দ্বিধাহীনভাৱে সুপ্ৰস্তাৱ আগ বঢ়োৱাত ৰামচন্দ্ৰই ভৰতক শলাগিলে।

তাৰ পাছত লক্ষ্মণে ক'লে, "একমাত্ৰ অশ্বমেধ যজ্ঞৰ অনুষ্ঠান কৰিলেহে সমস্ত পাপ খণ্ডন হ'ব পাৰে। বহুকালৰ আগতে ইন্দ্ৰই তেওঁৰ পাপ স্খলনৰ বাবে অশ্বমেধ যজ্ঞ পাতিছিল। এই যজ্ঞত বৃহস্পতিয়ে ইন্দ্ৰক সহায় কৰিছিল। এই যজ্ঞ সমাপন কৰাৰ অন্ততহে ইন্দ্ৰৰ সমস্ত পাপ স্খালিত হৈছিল।" লক্ষ্মণ অলপ ৰ'ল, আৰু কেইমুহূর্তমানৰ পাছত ভাতৃ লক্ষ্মণে পুনৰ ক'বলৈ ধৰিলে ঃ

প্ৰাচীনকালত বৃত্ৰ নামৰ এটা ভয়ংকৰ ৰাক্ষস আছিল। কিন্তু বৃত্ৰ আছিল ধৰ্মপৰাণ আৰু গভীৰ জ্ঞানসম্পন্ন। বৃত্ৰৰ ৰাজত্বকালত সদায় যথেষ্ট বৰষুণ হৈছিল, আৰু তাৰ ফলত প্ৰচুৰ পৰিমাণে শস্যাদি উৎপাদিত হৈছিল। দেশত অভাৱ-অনাটন নাছিল। দেশৰ প্ৰজাবৰ্গ আছিল সুখী। এইদৰে বহুকাল ধৰি ৰাজত্ব কৰাৰ অন্তত এদিন বৃত্ৰই তেওঁৰ জীৱনৰ বাকী কাল-ছোৱা তপস্যা কৰিবলৈ মন মেলিলে।

অতঃপৰ দেশ-শাসনৰ দায়িত্ব জ্যেষ্ঠপুত্ৰৰ ওপৰত অৰ্পি, ৰাজ্য-ধন-মান সকলো তিয়াগি এদিন বৃত্ৰাসুৰ কঠোৰ তপস্যালৈ ওলাল।

বৃত্ৰাসুৰৰ কঠোৰ তপস্যাই ইন্দ্ৰক ভয় খুৱাই দিলে। বৃত্ৰক তপস্যাৰপৰা নিবৃত্ত কৰিবলৈ ইন্দ্ৰ বিষ্ণুৰ কাষ চাপিল। ইন্দ্ৰই বিষ্ণুক ক'লেগৈ, "ইতিমধ্যেই বৃত্ৰাসুৰে তিনিও লোকতে আধিপত্য বিস্তাৰ কৰিলে। এই তপস্যাত যদি বৃত্ৰ সফল হয়, তেনেহ'লে মই আৰু কোনো লোক কদাপি জয় কৰিব নোৱাৰিম। এতেকে—মোৰ, আৰু আন সকলো দেৱতাৰ মংগলৰ অৰ্থে তুমি বৃত্ৰৰ এনে কঠোৰ তপস্যা ভংগ কৰা, এয়ে মোৰ একান্ত অনুৰোধ।"



বৃত্ৰৰ সম্পৰ্কে ইন্দ্ৰৰ কথা গভীৰ মনোযোগেৰে শুনি বিষ্ণুৱে ইন্দ্ৰক ক'লে, "এই বিশ্বত বৃত্ৰৰ নিচিনা মহাত্মা দুৰ্লভ। কথা মাথোন সিমানেই নহয়, বৃত্ৰ মোৰো বন্ধু। মই বৃত্ৰক বধ কৰিব নোৱাৰিম। যদিও, তোমাৰ বক্তব্যও পেলনীয়াবিধৰ নহয়। যি কি নহওক—মই এটা উপায়ৰ কথা কৈ দিছোঁ—যি উপায়েৰে বৃত্ৰক সংহাৰ কৰিব পাৰিবা। মোৰ এই শক্তিক মই তিনিভাগত ভগাম। তাৰে এভাগ তোমাৰ মাজত অনুপ্ৰৱিষ্ট হ'বগৈ। আন এভাগ সোমাবগৈ বজ্ৰায়ুধৰ মাজত, আৰু তৃতীয় ভাগ সোমাবগৈ ভূমিৰ মাজত। আৰু তাৰ পাছত তুমি বৃত্ৰক অনায়াসে বধ কৰিব পাৰিবা বুলি আশা কৰোঁ।"

বিষ্ণুৰ কথাত ইন্দ্ৰই আৰু অন্যান্য দেৱতায়ো ভাল পালে। তেওঁলোক তেতিয়া বৃত্ৰই তপস্যা কৰি অৰণ্যলৈ থকা গ'ল। তপস্যা কৰাৰ ফলত বৃত্ৰৰ দৃষ্টিত তেজস্বিতা ফুটি উঠিছিল। সেই তেজস্বী দৃষ্টিপাত দেৱতাসকলে সহিব নোৱৰা হ'ল। চকুৰ পচাৰতে বজ্ৰায়ুধ নিক্ষেপ কৰি ইন্দ্ৰই বৃত্ৰক সংহাৰ অৰ্থাৎ বধ কৰিলে।

আৰু লগে লগে ইন্দ্ৰক ব্ৰহ্মহত্যাৰ পাপে স্পৰ্শ কৰিলে। এই কথা বুজি পাই ইন্দ্ৰ অত্যন্ত বিমৰিষ হৈ পৰিল। এনেহেন ঘটনা এটা ঘটিব বুলি ইন্দ্ৰই কল্পনাও কৰিব কৰিব পৰা নাছিল। এই অৱস্থাৰ কথা দেৱতাসকলে বিষ্ণুক তৎক্ষণাৎ ক'লেগৈ।

বিষ্ণুৱে ক'লে, "ইন্দ্ৰই অশ্বমেধ যজ্ঞ অনুষ্ঠিত কৰিলেহে ব্ৰহ্মহত্যাৰ পাপৰপৰা মুক্তি পাব। তেতিয়া ইন্দ্ৰ আগৰদৰেই দেৱেন্দ্ৰ নামেৰে পূজিত হ'ব।"

তাৰ পাছত দেৱতাসকলে বৃহস্পতিক আৰু অন্যান্য ঋষিসকলকো ইন্দ্ৰৰ ওচৰলৈ লৈ গ'ল। ইন্দ্ৰ যেতিয়া অচেতন হৈ পৰি আছিল, তেতিয়া বৃহস্পতিৰ নিৰ্দেশ মতে ইন্দ্ৰক লগত লৈ ঋষিসকলে অশ্বমেধ

যজ্ঞ পাতিলে আৰু এই যজ্ঞ সামৰাৰ অন্তত ইন্দ্ৰই ব্ৰহ্মহত্যাৰ পাপৰপৰা অব্যাহতি পালে।

লক্ষ্ম.ণ এই কাহিনী কোৱাৰ অন্তত ৰামচন্দ্ৰয়ো অশ্বমেধ যজ্ঞৰ মহিম সমন্বিত আন এক কাহিনী ক'বলৈ ধৰিলে:

সুপ্ৰাচীনকালত কৰ্দমপ্ৰজাপতিৰ 'পুত্ৰ আছিল ইল বহ্লিক দেশৰ নৃপতি। দেৱতা, ৰাক্ষস, নাগ, যক্ষ আৰু গন্ধৰ্বসকলেও ইলক ভাল পাইছিল। ইলৰ নামত এওঁলোকে গৌৰৱ বোধ কৰিছিল।

এবাৰ মহাৰাজ ইল চ'তমাহত সদলবলে চিকাৰলৈ ওলাল। কিন্তু কেইবাসহস্ৰ পশু-পক্ষী চিকাৰ কৰাৰ অন্ততো তেওঁৰ চিকাৰৰ স্পৃহা নিবৃত্ত নহ'ল। তেওঁৰ চিকাৰ কৰি কৰি গভীৰ অৰণ্যলৈ সোমালগৈ। গৈ গৈ এনেকুৱা ঠাই এডোখৰ পালেগৈ, যিডোখৰ ঠাই আছিল কাৰ্তিকৰ জন্মস্থান। সেইদিনা, সেইছোৱা সময়ত, তাত শিৱ-পাৰ্বতীও বিহাৰ কৰি আছিল।

সুগভীৰ অৰণ্যৰ মাজত থকা এইডোখৰ ঠাইৰ এই বৈশিষ্ট্য আছিল যে—তাত থকা বৃক্ষৰাজি তথা পশু-পক্ষী—সকলো আছিল স্ত্ৰীজাতীয়। আৰু তাত ভৰি দিয়াৰ লগে লগে মহাৰাজ ইল আৰু তেওঁৰ অনুচৰসকলো নাৰীলৈ ৰূপান্তৰিত হৈ পৰিল। বিস্মিত-বিমৰ্ষ মহাৰাজ ইলৰ এতিয়া চিন্তা: ইয়াৰপৰা গুচি গ'লেও পুনৰ পুৰুষলৈ ৰূপান্তৰিত হ'ব পাৰিবনে? ভাবি ভাবি পাৰ-কূল নাপাই মহাৰাজ ইল শিৱৰ কাষ চাপিল। মহাৰাজ ইলে শিৱৰ চৰণত ধৰি এই মহাবিপদৰপৰা তেওঁলোকক উদ্ধাৰ কৰাৰ বাবে খাটিলে।

শিৱই ইলক ক'লে, "তুমি আন কিবা প্ৰাৰ্থনা কৰাঁ। মই তোমাৰ নাৰীৰূপ সলাব নোৱাৰিম। এই ক্ষমতা মোৰ নাই।"

মহাৰাজ ইলে তেতিয়া এই বিষয়ে পাৰ্বতীক খাটিলেগৈ।

মহাৰাজ ইলৰ কাতৰ প্ৰাৰ্থনা শুনি

পাৰ্বতীৰ মন কুমলিল। পাৰ্বতীয়ে মহাৰাজ ইলক এমাহৰ কাৰণে পুৰুষ আৰু আন এমাহৰ কাৰণে নাৰীৰ ৰূপ ল'ব পৰা বৰ দান কৰিলে। পাৰ্বতীয়ে অধিকন্তু এই বৰো প্ৰদান কৰিলে যে নাৰী হৈ থকা কালত পুৰুষ হৈ থকা অৱস্থাৰ কথা মহাৰাজ ইলৰ একেবাৰে মনত নপৰিব আৰু পুৰুষ হৈ থকা কালতো নাৰী-অৱস্থাৰ কথা তেওঁ সমূলি পাহৰি থাকিব।

মহাৰাজ ইলে এই বৰ পালে; কিন্তু নাৰীৰূপী তেওঁৰ অনুচৰবৰ্গ নাৰীৰ ৰূপতে সেই পৰ্বতে আগুৰা অৰণ্যাঞ্চলত থাকি গ'ল। তেওঁলোকে বৰ নাপালে।

এইডোখৰ ঠাইৰ অনতিদূৰতে এক সৰোবৰ আছিল। এই সৰোবৰৰ তীৰত চন্দ্ৰৰ পুত্ৰ বুধৰ আশ্ৰম অৱস্থিত আছিল। এই আশ্ৰমত থাকিয়েই বুধে তপস্যা কৰিছিল। বুধ দেখনে-দৰ্পণে বৰ ধুনীয়া আছিল। নাৰী ৰূপত থকাকালত মহাৰাজ ইলৰ নাম হৈছিল ইলা। এদিন ইলাই তেওঁৰ সখিয়েকৰূপী অনুচৰবৰ্গৰ সৈতে সৰোবৰত স্নান কৰি থাকোঁতে বুধে ইলাক পালে আৰু তৎমুহূৰ্তেই ইলাৰ প্ৰতি মোহাৱিষ্ট হ'ল। বুধে ইলাৰ সহচৰী-সকলৰপৰা ইলাৰ সম্পৰ্কে সোধ-পোছ কৰি জানি ল'লে। ইলাৰ সহচৰীসকলে বুধক ক'লে, "তেওঁ আমাক লগত লৈ ভ্ৰমি ফুৰিছে। তেওঁৰ স্বামী নাই।"

"তোমালোক আটাইকেইজনীয়ে ইয়াত থাকাঁ। ইয়াত খোৱা-লোৱাৰ চিন্তা নাই। আৰু—ইয়াৰ পুৰুষসকলেই তোমালোককো বিবাহ কৰাব।" বুধে ক'লে।

বুধৰ কথা শুনি ইলাৰ সহচৰীসকল সেই ঠাইৰপৰা গুচি গ'ল। তেতিয়া বুধে ইলাক ক'লে, "মই চন্দ্ৰৰপুত্ৰ। মোৰ নাম বুধ। মোক ভক্তিভাৱেৰে সেৱি তুমি মোৰ ওচৰতে থাকাঁ।"

বুধৰ এই কথৰ উত্তৰত ইলাই ক'লে, "তোমাৰ যি ইচ্ছা—সেয়ে হওক।"

তাৰ পাছত—দুয়ো সানন্দে এমাহলৈ যুগ্মজীৱন যাপিলে। আৰু—এমাহৰ অন্তত এদিন ইলা পুনৰ মহাৰাজ ইললৈ ৰূপান্তৰিত হ'ল। তেতিয়া মহাৰাজ ইলৰ আন একো মনত নপৰা হ'ল। বিষয়টো বুধেও নুবুজাকৈ নাথাকিল। তেতিয়া বুধে মহাৰাজ ইলক ক'লে, "হে ৰজা, শিল-বৰষুণৰ ফলত আপোনাৰ সৈন্যহঁতৰ মৃত্যু হ'ল। এতিয়া আৰু দুশ্চিন্তিত হৈ একো লাভ নাই। এতিয়া ইয়াতেই জীৱন কটালে ভাল হ'ব।"

"মই এক বিশাল দেশৰ নৃপতি। আপুনি যদি অনুমতি দিয়ে—মই দেশলৈ উভতি গৈ মোৰ জ্যেষ্ঠপুত্ৰক সিংহাসনত অধিষ্ঠিত কৰি থৈ আহিব পাৰোঁ।" মহাৰাজ ইলে বুধক ক'লে।

"মহাৰাজ, ইমান ব্যস্ত নহ'ব। ইয়াত এবছৰমান থাকে যদি, আপোনাৰ হয়তো যথেষ্ট মংগল হ'ব।" বুধে ইলক ক'লে।

বুধৰ কথাত মহাৰাজ ইল বুধৰ আশ্ৰমতে থাকিল।

কেইমাহমানৰ অন্তত ইতিমধ্যে গৰ্ভৱতী হৈ পৰা ইলাৰ গৰ্ভত বুধৰ এটি পুত্ৰ সন্তান লাভ হ'ল।

তাৰ পাছত বুধে সংবৰ্ত, প্ৰমুধ, দুৰ্বাসা আৰু অন্যান্য অনেক ঋষিক আমন্ত্ৰণ কৰি আনিলে আৰু মহাৰাজ ইলৰ পৰিস্থিতিৰ সম্যক বিবৰণ তেওঁলোকক ক'লে। এওঁলোকৰ মাজত ইলৰ পিতৃ কৰ্দমো উপস্থিত আছিল।

তাত সমবেত হোৱা মুনি-ঋষিসকলৰ প্ৰত্যেকেই ইলক বিভিন্ন পৰামৰ্শ দিলে। কিন্তু ইলৰ পিতৃ কৰ্দমে ক'লে যে, একমাত্ৰ অশ্বমেধ যজ্ঞইহে ইলক এনে অৱস্থাৰপৰা মুক্তি দিব পাৰিব।

কৰ্দমৰ পৰামৰ্শ অনুসাৰে অশ্বমেধ যজ্ঞ সম্পন্ন কৰা হ'ল, আৰু তাৰ পাছতহে ইলে তেওঁৰ অভিশপ্ত নাৰীজীৱনৰপৰা চিৰমুক্তি লভিলে। এই যজ্ঞৰ কালত

Sankar...

স্বয়ং শিৱই ইলক বৰ দান কৰিছিলহি— যাতে ইহজীৱনত ইল আৰু কেতিয়াও নাৰীলৈ ৰূপান্তৰিত নহয়।

তাৰ পাছত মহাৰাজ ইল আৰু বহ্লিক দেশলৈ উভতি নগ'ল। তেওঁ তেওঁৰ সেই দেশলৈ যোৱা বাটতে প্ৰতিষ্ঠানপুৰ নামৰ ৰাজ্য এখন শাসন কৰি থাকিল। তেতিয়া ইলৰ পুত্ৰ শশীবিন্দু বহ্লিকদেশ শাসন কৰি আছিল।

বুধৰ পুত্ৰৰ নাম আছিল পুৰূৰৱা। নাৰীৰূপী মহাৰাজ ইলৰ গৰ্ভত পুৰূৰৱাৰ জন্ম হোৱাহেতুকে মহাৰাজ ইল স্বৰ্গী হোৱাৰ অন্তত পুৰূৰৱাক সিংহাসনত অধিষ্ঠিত কৰা হ'ল।

এই কাহিনী কোৱাৰ অন্তত শ্ৰীৰামচন্দ্ৰই ৰাজপুৰোহিত বশিষ্ঠ, বামদেৱ, জাবালি প্ৰমুখক আহ্বান কৰি আনিবলৈ লক্ষ্মণক পঠালে।

শ্ৰীৰামচন্দ্ৰই অশ্বমেধ যজ্ঞ পতাৰ অভিপ্ৰায় প্ৰকাশ কৰা বুলি শুনি তেওঁলোক অতি আনন্দিত হ'ল। অশ্বমেধ যজ্ঞৰ আয়োজন দ্ৰুতগতিৰে চলি থাকিল। এই যজ্ঞত ভাগ ল'বলৈ সুগ্ৰীৱ, বিভীষণ আদিৰে সৈতে বিভিন্ন দেশৰ ব্ৰাহ্মণ, ঋষি, গৃহস্থ, সংগীতবিদ, নট, নৰ্তকীসকলো আমন্ত্ৰিত হ'ল।

নৈমিষাৰণ্যৰ গোমতী নদীৰ তীৰত যজ্ঞ পতা হ'ল। সমস্তপ্ৰকাৰৰ আয়োজন সুসম্পন্ন হোৱাৰ অন্তত এটি ক'লা বৰণৰ অশ্ব এৰি দিয়া হ'ল আৰু সেই অশ্বটোক অনুসৰণ কৰিবলৈ ঋত্বিজসকলক আৰু লগতে লক্ষ্মণকো পঠোৱা হ'ল।

এই যজ্ঞ অতি সমাৰোহৰে সম্পন্ন কৰা হৈছিল। আনকি ইন্দ্ৰ, কুবেৰ, বা যমৰজায়ো ইমান বিৰাট যজ্ঞ পাতিব পৰা নাছিল বুলি পৰস্পৰৰ মাজত আলোচনা চলি আছিল। এই অশ্বমেধ যজ্ঞ এবছৰকাল ধৰি অনুষ্ঠিত হৈছিল।

বৈদ্যবধী বেমাৰী

বীৰাচাৰ্য্যই বৈদ্য তথা চিকিৎসক হিচাপে যথেষ্ট খ্যাতি আৰ্জিছিল। বৈদ্য বীৰাচাৰ্য্যৰ ওচৰত শৰভাচাৰী নামৰ যুৱক এগৰাকীয়ে চিকিৎসাবিদ্যা শিক্ষা কৰিছিল। এদিন শৰভাচাৰীয়ে গুৰু বীৰাচাৰ্য্যক সুধিলে, "গুৰুদেৱ, আমাৰ ওচৰলৈ অহা বেমাৰীহঁতৰ মাজত কোন ধৰণৰ বেমাৰীক চিকিৎসা কৰাটো অধিক কষ্টকৰ?"

গুৰু বীৰাচাৰ্য্যই ক'লে, "মূৰ্খক আৰু পাহৰা ধানৰ ভাত খোৱাইতক চিকিৎসা কৰাটো কষ্টকৰ। আমি যেনেকৈ যি কৰিবলৈ ক'ম, ইহঁতে নকৰিব, বা পাহৰি থাকিব।"

ঠিক তেতিয়াই খহুৰে পোৱা মানুহ এটা ওলালহি। সি তাৰ দুয়োখন হাতেৰে গোটেইটো গা খজুৱাই আছিল। খজুৱতি উঠা এই মাধৱে বীৰাচাৰ্য্যক ক'লে, "হেৰি কবিৰাজ ডাঙৰীয়া, আৰুবেলি মোৰ পানীলগা জ্বৰ হৈছিল, আৰু মোক আপুনি গা ধুবলৈ হাক দিছিল। মই তেতিয়াৰপৰা এদিনো গা ধোৱা নাই. পানী হাতেৰেও চুই চোৱা নাই। আপোনাৰ কথাত গা ধোৱা বন্ধ কৰাত আৰু পানীলগা জ্বৰ হোৱা নাই। কিন্তু এয়া চাওক কি হৈছে।" এই বুলি কৈ খহুৱা মাধৱে আগতকৈ চাৰিগুণে খজুৱাবলৈ ধৰিলে।

বৈদ্য বীৰাচাৰ্য্যই মাধৱক দৰৱ-পাতি দি বিদায় কৰিলে। তাৰ পাছত গুৰুৱে শিষ্য শৰভাচাৰীক ক'লে, "এই মাধৱটো হ'ল সেই কথাৰ দেখ দেখ দৃষ্টান্ত। মই তাক মাত্ৰ কেই দিনমানৰ কাৰণেহে গা ধুবলৈ হাক দিছিলোঁ, কিন্তু সি ভাবি ল'লে যে জীৱনতো সি আৰু গা ধুব নালাগে। এতেকে—এনেবোৰ বৈদ্যবধী বেমাৰীৰ বিষয়ে সদায় সাৱধান হ'ব লাগিব।"

ভেকুৰিতলৰ কথা

চাউলৰ বেপাৰী ভূষণে বিভিন্ন ধৰণৰ চাউল বেচিছিল। চাউলৰ বেপাৰতে তাৰ কপাল ফুলিছিল, ধনেদি দৌল বান্ধিছিল।

এই একেখন গাঁৱতে চন্দ্ৰনাথ আছিল হালোৱা, সামান্য মাটিৰ গৰাকী। চন্দ্ৰনাথ আছিল ভূষণৰ বন্ধু।

একেৰাহে দুটা বছৰ ধৰি খৰাং বতৰে কোবাই যোৱাত হালোৱা চন্দ্ৰনাথৰ অৱস্থা অতি বেয়া হৈ পৰিল। চন্দ্ৰই ভূষণক ক'লেগৈ, "চোৱাঁ ভূষণ, মই যথেষ্ট শ্ৰম কৰিও খেতি-বাতিৰ কামত উন্নতি কৰিব পৰা নাই! তুমি যদি মোক অলপ টকাৰে সহায় কৰা, মই বেপাৰত ধৰিব পাৰোঁ।"

"কিহৰ বেপাৰ?" ভূষণে সুধিলে।

"চাউলৰ।" চন্দ্ৰনাথে ক'লে।

"চাউল! ক'ত কৰিবা বুলি ভাবিছা?"

"গাঁৱতে। গাঁও এৰি আন ঠাইলৈ যোৱাৰ অৰ্থ নাই।" চন্দ্ৰনাথে ক'লে।

ভূষণে চন্দ্ৰক ক'লে, "চোৱাঁ চন্দ্ৰ, গাঁৱৰ ৰাইজে মোৰ সম্পৰ্কে যি ভাবে ভাবক— তুমি পিছে মোক ভুল নুবুজিবা। মোৰ নিচিনা বেপাৰীহঁতৰ হাতত নগদ টকা-পইচা একো এটাও নাথাকে, সাঁচি থ'ব পৰা ধন আমাৰ নহয়েই। আৰু—যোৱা কেইবামাহো ধৰি চাউলৰ কাৰবাৰত লোকচানেই লোকচান। এনে পৰিস্থিতিত তোমাকনো দিওঁ ক'ৰপৰা?"

ভূষণে এনেকৈ ক'ব বুলি চন্দ্ৰই ভাবিবই পৰা নাছিল। তথাপি—দিওঁতাই নিদিলেনো লওঁতাই কি আৰু কৰিব? চৰগ পৰা যেন হৈ পৰা চন্দ্ৰয়ো একো

অভিৰাম গগৈ

ক'ব . নোৱাৰি বিদায় লৈ গুচি গ'ল।

কেইবছৰমান পাছত চন্দ্ৰনাথ আন এটা ডাঙৰ সমস্যাত সাঙোৰ খাই পৰিল। ছোৱালীজনীৰ বিয়া এতিয়াই নাপাতিলে নহ'ব, পলম কৰিলে গাঁৱৰ ৰাইজে তাক ছি ছি ছা ছা কৰিব। গতিকে—বহু দিন ধৰি বিচাৰি বিচাৰি চন্দ্ৰই তাৰ ছোৱালী-জনীৰ কাৰণে দৰা বিচাৰি উলিয়ালে। কিন্তু দৰাপক্ষক দহহেজাৰ টকা নগদে দিব লাগিব।

পৰিবাৰে চন্দ্ৰক ক'লে তাৰ বন্ধু ভূষণৰ ওচৰলৈ যাবলৈ। কিন্তু সেইবাৰ চন্দ্ৰৰ যি অভিজ্ঞতা হ'ল, এইবাৰ আৰু যোৱাৰ মনেই নাই তাৰ। যি কি নহওক—তথাপি নিৰুপায় চন্দ্ৰ তাৰ বন্ধু ভূষণৰ কাষকে চাপিব লগা হ'ল।

চন্দ্ৰনাথৰপৰা সকলো কথা শুনাৰ অন্তত ভূষণে চন্দ্ৰনাথক ক'লে, "এই কথাটো মোক কওঁতে তোমাৰনো ইমান সংকোচ হৈছিল কিয়হে? তোমাৰ ছোৱালী মানে মোৰেই ছোৱালী।" এই বুলি কৈয়েই ভূষণ এটা ডাঙৰ কোঠাৰ ভিতৰলৈ গ'ল আৰু পুনৰ ওলাই আহি চন্দ্ৰনাথক টকা এজাপ দিলে আৰু ক'লে, "হোঁ—এয়া লোৱা পোন্ধৰ হেজাৰ টকা।"

অবাক হৈ পৰা চন্দ্ৰনাথে ভূষণক থোকাথুকি মাতেৰে ক'লে, "পোন্ধৰ-হেজাৰ—কিয় দিলা! মই তোমাৰপৰা



দহহেজাৰ টকাহে খুজিছিলোঁ।"

"ঠিক আছে—ঠিক আছে—।" ভূষণে ক'লে, "কেৱল দৰাঘৰীয়াক দিয়া টকাৰেই বিয়াখন হৈ যাব জানো ? বিয়াৰ খৰচও তো আছে ঢেৰ—। কিন্তু পৰিশোধ কৰোঁতে মোক পোন্ধৰহেজাৰ দিব নালাগে, দহহেজাৰেই দিবা। বাকী পাঁচহেজাৰ বিয়া উপলক্ষ্যে মই দিলোঁ।"

হতবাক চন্দ্ৰনাথে ভূষণক আনকি এবাৰ ধন্যবাদ জ্ঞাপন কৰাৰ ভাষাও বিচাৰি নোপোৱা হ'ল। সকলো কথা-কাণ্ড সপোন সপোন যেন লাগিল তাৰ।

চন্দ্ৰনাথ গুচি যোৱাৰ পাছত ভূষণৰ পৰিবাৰে ভূষণক সুধিলে, "কথানো কি—? বছৰদিয়েকৰ আগতে তোমাৰ এইজন বন্ধুৱেই অলপ টকা খুজিছিল। তেতিয়া এক পইচাও নিদিলা। আৰু এতিয়া দহহেজাৰৰ সলনি পোন্ধৰহেজাৰ!"

ভূষণে মিঠাকৈ হাঁহি মাৰি তাৰ পৰিবাৰক ক'লে, "যোৱাবাৰ চন্দ্ৰনাথে চাউলৰ কাৰবাৰ কৰিবলৈহে টকা খুজিছিল! সি এইখন গাঁৱতে মোৰেই টকাৰে মোৰেই প্ৰতিদ্বন্দ্বী হৈ চাউলৰ কাৰবাৰ কৰিলেহেঁতেন। গতিকে—মোৰ বেপেৰুৱা মনটোৱে তাক টকা দিবলৈ মান্তি নহৈছিল।"

"আৰু—এইবাৰ? এইবাৰ তেওঁ খোজাতকৈয়ো বেছিকৈ দিয়াৰ কাৰণ?" পোন্দোৱাকৈ চাই পৰিবাৰে সুধিলে।

"চোৱাঁ, চন্দ্ৰনাথ মোৰ প্ৰকৃততেই বন্ধু। বন্ধুৰ বিপদত বন্ধুৱে সহায় নকৰিলেনো কোনে কৰিব? বন্ধুৰ ছোৱালী আৰু মোৰ ছোৱালীত কিহৰ পাৰ্থক্য? এতেকে—এইবাৰ মোৰ বন্ধুসুলভ মনটোৱে তাক টকাৰে সহায় কৰিবলৈহে ক'লে। এইখিনিতে বেপেৰুৱা মন আৰু বন্ধুসুলভ মনৰ পাৰ্থক্য।" ভূষণে ভেকুৰি তলৰ কথাটি তাৰ পৰিবাৰক কৈ দিলে।

উপকাৰ-প্ৰত্যুপকাৰ

৭

অচিনাকি যুৱকক পৰাজিত কৰিব পাৰিলে বিয়া কৰাব বুলি জয়িতাই কোৱাত—পাছদিনা ৰাতিপুৱাতে জয়-বিজয়ে অচিনাকি যুৱকক মালযুঁজ কৰিবলৈ আহ্বান জনালে। যুৱকে সিহঁত দুটাক ক'লে, "তোমালোক দুয়োজনেই একেলগে যুঁজা যদি—তেহে মই যুঁজিম। যদি সাহস আছে—আহাঁ।"

যুৱকে ক'বলৈ পালেহে, লগে লগে জয় আৰু বিজয় যুৱকৰ ওপৰত জঁপিয়াই পৰিল আৰু যুৱকে পৰাজয় মানি ল'লে।

"আমি দুয়ো অচিনাকি যুৱকক হৰুৱালোঁ। এতেকে—তুমি এতিয়া আমাক বিয়া কৰাবলৈ বাধ্য। পিছে—আমাৰ মাজত কাক বিয়া কৰাবা—তুমিয়েই কোৱাঁ।" জয়ে জয়িতাক ক'লে।

তোমালোকৰ মাজত শক্তিমান কোন—সেই কথাটোও ফটফটীয়াকৈ জনা মোৰ প্ৰয়োজন। যদি তোমালোকে সেই কথাৰ চয়-নিচয় নিৰ্ণয় কৰিবলৈ টান পাইছা, ডাঙৰহঁতৰপৰা সহায় ল'ব পাৰা এই বিষয়ে।" জয়িতাই ক'লে।

জয় আৰু বিজয় তৎক্ষণাৎ ঘৰলৈ গ'ল। দুয়োজনেই জয়িতাক বিয়া কৰাব বুলি সিহঁতৰ মাক-দেউতাকক ক'লেগৈ।

তেতিয়া সিয়ান গিয়ানীদ্বয়ে জয়-বিজয়ক বহুধৰণে সৎপৰামৰ্শ দিলে; কিন্তু তাৰে কোনো কাম নহ'ল। বিয়া



নকৰেমানে হেনো হিয়া জুৰ নপাৰে।

সমস্যাই যেতিয়া জটিল আকাৰ ল'লে, তেতিয়া ডাঙৰ গিয়ানীয়ে ক'লে, "মই হ'লোঁ ডাঙৰ। ডাঙৰক সকলো কথাতে মানিব লাগে। ডাঙৰৰ পো-ও ডাঙৰেই হ'ব—শাস্ত্ৰৰ কথা। গতিকে গোৰে-পোৰে তলেই যাওক আৰু যিয়েই নহওক মোৰ পোৰেহে জয়িতাক বিয়া কৰাব।"

সিজন গিয়ানীও কম সিয়ান নহয়। সি ক'লে, "ইমান কাল ধৰি আমাৰ মাজত সৰু-ডাঙৰৰ প্ৰশ্নই কেতিয়াও মূৰ দঙা নাছিল। হোজাৰ পো হেজো ৰাইজেহে আমাক সৰু-ডাঙৰ কৰিলে। এতিয়া—কোনোবাই যদি নাভূত-নাশ্রুত ভাবে সৰু বা ডাঙৰৰ সুবিধা লয়—আগলৈ আমাৰ পৰিবাৰইঁতো সৰু-ডাঙৰ হৈ যাব। গতিকে — মই এনেবোৰ ফাংফুঙীয়া বাংফঙীয়া বাংবিং কথা নসহোঁ।"

সৰু গিয়ানীৰ ফাংবাজী মৰা কথা শুনি ভিতৰি ভিতৰি ডাঙৰ গিয়ানীৰ কাই উঠিল, যদিও কিছুমান হক্ কথায়ো উক্ নিদিয়াকৈ নাথাকিল। তেতিয়া নিমাত হৈ থকা সৰুৰ অৱস্থাও তথৈবচ। হঠাৎ প্ৰায় একেলগেই দুয়ো একেটা কথাকে ভাবিলে: এই অথন্তৰখনৰ বাবে দায়ী সেই বিদেশী অচিনাকি তান্ত্ৰিক যুৱক। তেতিয়া দুয়ো একেলগে তালৈ গ'ল।

দুয়োজন গিয়ানীৰ কথা মনপুতি শুনাৰ অন্তত যুৱকে ক'লে, "চাওক, অলপ ভালকৈ চিন্তা কৰি চালে—দোষ যে মোৰ নহয়, সেই কথা ওলাই পৰিব। এই ঘটনাৰ গুৰিত আছে সেই জয়িতাজনী। সিহঁত দুটাই জয়িতাক বিয়া কৰাবলৈ বলিয়া হৈ উঠা বাবেহে ইমান কাণ্ড। এতিয়া কওক, মইনো কিমানখিনি দায়ী?"

ডাঙৰ গিয়ানীয়ে খঙৰ কোবত ধমকি উঠি ক'লে, "তোমাৰ সেইবোৰ ভেলেকী লগোৰা কথাত আমি আৰু ভোল নাযাওঁ। ইচ্ছা হ'লে তুমি সিহঁত দুটাক নিশ্চয়

হকুৰাব পাৰিলাহেঁতেন। কিন্তু তুমি ফন্দী কৰি নিজেই হাৰিলা আৰু সিহঁত দুটাৰ মাজত চিৰস্থায়ী মালযুঁজ লগাই দিলা।"

যুৱকে ক'লে, "জয় আৰু বিজয়ৰ মাজত যাতে মৌমিঠা বন্ধুত্ব হয়—তাৰ বাবে মই জান-প্ৰাণ বিসৰ্জিবলৈকো সাজু।"

"তেনেহ'লে তুমি হাৰিলা কিয়?"

"হে—! কি কৈছেনো? সিহঁতে মোক হকুৰাব পাৰিলে মইনো কি কৰিম?"

"তেনেহ'লে — তোমাৰ অলৌকিক ক্ষমতাৰ কি হ'ল?" ডাঙৰ গিয়ানীয়ে যুৱকৰ ততত ধৰিলে।



"সেইবোৰ ক্ষমতা নোহোৱা হ'ল। আৰু—এই নোহোৱা হোৱাৰ গুৰিতো সেই জয়িতা। জয়িতাই ইয়ালৈ যিদিনা পোনপ্ৰথমে আহিল—আহিয়েই কৈছিল যে তাই মোক ভাল পায়। সিদিনাৰে-পৰাই মোৰ বিয়া কৰাবৰ মন তাইক। সেয়েহে—ব্যক্তিগত স্বাৰ্থৰ চিন্তাই মনত বাহ লোৱাৰ লগে লগে মোৰ সমস্ত ক্ষমতাও নাইকিয়া হ'ল। আপোনালোকৰ অনুমতি পালে মই আৰু জয়িতা এই গাঁও এৰি গুচি যামগৈ।" যুৱকে ক'লে।

যুৱকৰ কথা শুনি সিয়ান গিয়ানীদ্বয় হতবাক হৈ পৰিল। সৰুৱে সুধিলে, "তুমি যি যেনেকৈ কৈছা—সঁচানে বাৰু? নিজৰ স্বাৰ্থলৈ নাভাবি আনৰ উপকাৰ কৰিলে আমিও তোমাৰ দৰে অলৌকিক ক্ষমতা পামনে কি?"

"নিশ্চয় পাব। আন কোনোবাই যদি অপকাৰ কৰে আৰু তাৰ পৰিবৰ্তে যদি আপুনি বা আপোনালোকে উপকাৰ কৰে—তেনেহ'লে অপৰিসীম ক্ষমতাৰ অধিকাৰী হ'ব পাৰিব। পিছে—লগতে যদি আত্মস্বাৰ্থৰ কথা চিন্তে—সেই ক্ষমতা নোহোৱা হ'ব।" যুৱকে ক'লে।

এই কথাৰ উত্তৰত গিয়ানীদ্বয়ে যুৱকক নমস্কাৰ কৰিলে আৰু ক'লে, "আমাতকৈ যদিও তুমি বয়সত সৰু, তথাপি, তোমাৰ



তুলনাত আমি গৰু। ইমান দিন ধৰি আমি যে নজনা-নুবুজাকৈ কিমান পাপ নকৰিলোঁ! এতিয়াৰপৰা আমি গাঁৱৰ ৰাইজৰ কেৱল উপকাৰহে কৰিম।"

"আপোনালোকৰ মাজত হোৱা এই পৰিৱৰ্তনৰ মই শলাগ লৈছোঁ। এইবাৰ মোক আৰু জয়িতাক বিদায় দিয়ক।"

গিয়ানীদ্বয়েও যুৱকক আৰু ন-কৈ অহা যত কুটৰ ঘাই জয়িতাক বিদায় দিয়াটোকে ভাল বুলি ভাবিলে। গিয়ানীদ্বয় খৰধৰকৈ ঘৰলৈ আহিল আৰু জয়-বিজয়ক ক'লে, "তহঁতে জয়িতাক পাহৰি পেলা।"

"অ—সুন্দৰ!" জয়ে চিঞৰি কৈ উঠিল, "জয়িতাক আমি বিয়া কৰা—ম্নেই।"

ডাঙৰ গিয়ানী ক'লে, "দুটাইনো এজনীক বিয়া কৰাবি কেনেকৈ?"

"সেয়া কোনো ডাঙৰ কথা নহয়। তাহানিতে চাৰি-পাঁচজনেও এজনীক বিয়া কৰাইছিল। আমিও আমাৰ প্ৰাচীন ঐতিহ্যৰ বাটে খোজ ল'ম।" বিজয়ে ৰেলবেলালে।

কথা শুনি গিয়ানীদ্বয়ৰ মূৰ ঘূৰাবলৈ ধৰিলে। তেতিয়া গিয়ানীদ্বয়ে জয়-বিজয়ক ক'লে, "তহঁতে যদি তহঁতৰ ইচ্ছামতে কাম কৰ—আমি নসহোঁ, কৈছোঁহে। আমি বিদেশী যুৱক আৰু জয়িতাৰ বিয়া পাতি সিহঁতক গাঁৱৰ বাজ কৰি দিম।"

এই কথা জয় ক্ৰুদ্ধ হৈ উঠিল, আৰু সি ক'লে, "তোমালোকে আমাৰ কথাত মাত মাতিবলৈ নাহিবা। এতিয়া আমি পিয়াহদঁতা নহওঁ নহয়? তোমালোক বুঢ়া হ'লা, আমাৰ কথাহে তোমলোকে মান্য কৰিবা। এতিয়াৰপৰা—ঘৰ এৰি ক'লৈকো এখোজো দিছা যদি—ঠেং ভাঙি বেং কৰি গোহালিৰ এচুকত পেলাই থৈ দিম। আজিৰপৰা আমি দুয়োহে এই গাঁৱৰ বুদ্ধিদাতা গিয়ানী।"

জয় আৰু বিজয়ে কেৱল সিহঁতৰ দেউতাককে নহয়, অচিনাকি যুৱক আৰু

জয়িতাকো ঘৰ এটাত বন্দী কৰি থ'লে।

অচিনাকি যুৱকে জয়-বিজয়ক ক'লে, "চোৱা, জয়িতাই তোমালোকক ভাল নাপায়। তথাপি তাইকো বন্দী কৰিছা, তোমালোকৰ দেউতাকো বন্দী কৰিলা, এয়া কিন্তু বৰ অন্যায় হৈছে।"

জয়-বিজয়ে যুৱকক ক'লে, "আমাক তুমি গিয়ান নিদিবা, কিয়নো এতিয়াৰপৰা আমিয়েই গাঁৱৰ গিয়ানী। আৰু—তুমি সাদিনৰ ভিতৰত আমাৰ গাঁও এৰি গুচি যাবাগৈ। যদি নগৈছা—নিৰ্ঘাত মৰিছা। কথাটো জানিছানে নাই?"

তাৰ পাছত বিদেশী যুৱকে জয়-বিজয়ৰ কথাবোৰ গাঁৱৰ ৰাইজক বুজাই কোৱাত ৰাইজে ক'লে, "এই জয়-বিজয়েই হেনো একালত বিষ্ণুৰ দেহৰক্ষী আছিল। কোনোবা এগৰাকী ঋষিৰ শাপত সিহঁত ৰাক্ষসমনোবৃত্তিৰ মানুহ হৈ উপজিল। গতিকে—সকলো আমাৰ ভাগ্য।"

"তাৰ মানে—সিহঁতক পোনাবৰ কোনো উপায় নাই?" যুৱকে ৰাইজক সুধিলে।

"সিহঁতক পোনাবলৈ এদিন-নহয়-এদিন স্বয়ং-বিষ্ণু ইয়ালৈ আহিব বুলি আমাক কোৱা হৈছে।" গাঁৱৰ ৰাইজে যুৱকক ক'লে।

"ময়েই সেই বিষ্ণু। আৰু এইজনী জয়িতায়েই হ'ল লক্ষ্মী। ৰামায়ণৰ যুগত মই আছিলোঁ শ্ৰীৰামচন্দ্ৰ, জয়িতা আছিল সীতা। তোমালোক তেতিয়া আছিলা বান্দৰৰ ৰূপত। তোমালোকৰ সহায়তহে মই লংকাপুৰীলৈ গৈ ৰাৱণক বধিব পাৰিছিলোঁ! সেইদেখিহে কওঁ—আমি একেলগ হৈ জয়-বিজয়ক শিক্ষা দিম বুলিলে কিমানপৰ? মই বিষ্ণু হওঁনে নহওঁ—সেই কথাত যদি তোমালোকৰ মনত সন্দেহ আছে—কথাটো তোমালোকৰ গাঁৱৰ গিয়ানী দুগৰাকীক সোধাগৈচোন। তেওঁলোকে কি কয় শুনা।" [অহা সংখ্যাত

প্ৰশ্ন

দুখীয়া মানুহজনে ৰজাৰ ওচৰলৈ গৈ ৰজাৰপৰা সহায় প্ৰাৰ্থনা কৰিলে। ৰজাই দুখীয়া মানুহজনক ক'লে, "মই তোমাক চাৰিটা প্ৰশ্ন কৰিম। কালিলৈ এই চাৰিটা প্ৰশ্নৰ উত্তৰ মোক লাগে। প্ৰথম প্ৰশ্ন হ'ল—আটাইতকৈ অধিক গতিসম্পন্ন কোন, বা কি? দ্বিতীয় প্ৰশ্ন: আটাইতকৈ অধিক শক্তিমান কোন, বা কি? তৃতীয় প্ৰশ্ন হ'ল—আটাইতকৈ কোমল বস্তু কি? চতুৰ্থ—আটাইতকৈ আনন্দদায়ক কি?"

এই দুখীয়া মানুহজনৰ অৰ্থাৎ দধিৰামৰ ছোৱালী মণিমাই তাইৰ দেউতাক সুধিলে, "দেউতা, তুমি কিবা কথাত বৰ চিন্তাযুক্ত হৈ পৰিছানে কি?"

তেতিয়া দধিৰামে ক'লে, "আই, মই সহায় বিচাৰি ৰজাৰ ওচৰলৈ গৈছিলোঁ। তেওঁ মোক চাৰিটা প্ৰশ্ন কৰিলে। সেই প্ৰশ্ন চাৰিটাৰ উত্তৰ কালিলৈ দিবগৈ লাগিব। কি যে উত্তৰ দিম—ভাবিকে পোৱা নাই।"

প্ৰশ্ন চাৰিটা শুনাৰ পাছত মণিমাই তাইৰ দেউতাকক ক'লে, "এই প্ৰশ্ন চাৰিটাৰ উত্তৰ বিচাৰি তুমি ইমান চিন্তাত পৰিছা কিয়? আটাইতকৈ অধিক গতি হ'ল বায়ুৰ। সবাতোকৈ শক্তিমান হ'ল ভূমি। কিয়নো জগতৰ আটাইতকৈ শক্তিমানকো ভূমিয়েই খাদ্য দিয়ে। আটাইতকৈ কোমল হ'ল হাত, কিয়নো লৱণুকোমল বিছনাত শুলেও ততোকৈ কোমল হাতখন কেতিয়াবা মূৰৰ তললৈ যায়। আৰু আটাইতকৈ আনন্দদায়ক হ'ল নিদ্ৰা। নিদ্ৰাইহে মানুহক দুখ-শোক পাহৰাই দিয়ে।"

উত্তৰবিলাক শুনাৰ অন্তত ৰজাই দধিৰামক সুধিলে, "এই উত্তৰ তোমাৰ নিজৰনে আন কোনোবাই শিকাই দিলে?"

"মহাৰাজ! মোৰ সোতৰ বছৰীয়া ছোৱালী মণিমাই প্ৰশ্নৰ উত্তৰবোৰ মোক কৈ দিলে।" ভুখীয়া দধিৰামে ক'লে।

"মাত্ৰ সোতৰ বছৰীয়া ছোৱালীৰ ইমান জ্ঞান! তেনেহ'লে—এই সূতাখিনি লৈ যোৱা, আৰু তোমাৰ ছোৱালীজনীক কোৱাগৈ—মোক কালিলৈ আগবেলাৰ ভিতৰতে উত্তৰীয় এখন লাগে।"

উভতি অহাৰ পাছত মণিমাই দেউতাকক সুধিলে, "কি হ'ল দেউতা, ইমান মনমৰা যেন হৈ আছা কিয়? প্ৰশ্নৰ উত্তৰ শুনি ৰজাই ভাল পোৱা নাইনে কি?"

তেতিয়া দধিৰামে সূতাখিনি দেখুৱাই ছোৱালীক সকলো কথা ক'লে। মণিমাই ক'লে' "ঠিক আছে, এটা কাম কৰা দেউতা। তুমি এই বাঢ়নীৰ কাঠী এডাল ৰজাক দিয়াগৈ আৰু লগতে কোৱাগৈ যে তেওঁ যেন আজি গধূলিৰ আগে আগেই এই কাঠীডালেৰে তাঁত সাজি আমালৈ পঠিয়াই দিয়ে। তাঁত নহ'লে উত্তৰীয় বৈ দিব তো নোৱাৰিম।"

দধিৰাম পুনৰ ৰজাৰ কাষ চাপিল আৰু ৰজাক বাঢ়নীৰ কাঠীডাল দিলে। সকলো কথা শুনাৰ অন্তত ৰজাই দধিৰামক ক'লে, "ঠিক আছে—উত্তৰীয় মোক 'নালাগে। পিছে—তুমি এই কুকুৰাৰ কণীবোৰ লৈ যোৱা। তোমাৰ ছোৱালীজনীক ক'বা—কালিলৈ আগবেলাতে এই এশটা কণীৰ-পৰা এশটা পোৱালি মোক লাগে।"

এইবাৰ দধিৰামে দিনতে আন্ধাৰ দেখা হ'ল। এইবাৰ সি আওমৰণে মৰা যেন পালে! কিন্তু কণীৰ কথাত মণিমাৰ কোনো দুশ্চিন্তা নহ'ল। তাই কিছুমান কণী ৰান্ধি-বাঢ়ি খালে, দেউতাককো খুৱালে—আৰু তাৰ পাছত দেউতাকক ক'লে, "তুমি ৰজাক কোৱাগৈ যে এশটা

কণীৰপৰা এশজনী পোৱালিয়েই জগিল। কিন্তু পোৱালিবিলাকে এদিনতে ওপজা ধান নাপায়মানে নাখায়। আজিয়েই এদিনীয়া ধান ৰজাক পঠাবলৈ কৈ দিবা। এদিনীয়া ধান নাপালে কুকুৰা-পোৱালি দি এটাও নাবাঁচে।"

দুখীয়া দধিৰাম পুনৰ ৰজাৰ ওচৰলৈ গ'ল আৰু মণিমাই কোৱা কথাবোৰ ৰজাক ক'লে। মণিমাৰ কথাখিনি শুনি ভাল পাই ৰজাই ৰংমনে দধিৰামক ক'লে, "মই আবেলি পৰতে তোমালোকৰ ঘৰলৈ যাম বুলি ছোৱালীজনীক কোৱাগৈ।"

দেউতাকৰপৰা এই বাতৰি পায়েই মণিমাই ঘৰ-দুৱাৰ চাফ-চিকুণ কৰি, ঘৰৰ দুৱাৰত আমপাত আৰু ফুলৰ মালা ওলোমাই এক সুন্দৰ উৎসৱৰ পৰিবেশ সৃষ্টি কৰিলে।

নিৰ্দিষ্ট সময়ত ৰজা ঘোঁৰাত উঠি আহিল আৰু দধিৰামৰ দুৱাৰৰ ওচৰত ৰ'ল।

ৰজাই মিঠাকৈ মিচিকীয়াই থকা মণিমাক সুধিলে, "মই ঘোঁৰাৰ পিঠিৰপৰা নামি তোমালোকৰ ঘৰৰ ভিতৰলৈ যামনে ননমাকৈয়েই যাম—ভাবি-গুণি ঠিকমতে কোৱাচোন এতিয়াই।"

উজ্জ্বল নীৰৱ হাঁহিৰে মুখখন উজলাই তুলি মণিমাই ৰজাক ক'লে, "মহাৰাজ! আপোনাৰ জ্ঞান সীমাহীন। আপোনাৰ এই প্ৰশ্নৰ উত্তৰ দিবপৰা যোগ্যতা মোৰ নাই। যি কি নহওক—আপোনাৰ প্ৰশ্নৰ উত্তৰ পাছত পাব। তাৰ আগতে অনুগ্ৰহ কৰি আপুনি কওকচোন—মই এতিয়া ঘৰৰ ভিতৰলৈ যামনে বাহিৰতে থাকিম?"

মণিমাৰ উত্তৰ শুনি আনন্দত আত্মহাৰা ৰজা ঘোঁৰাৰপৰা নামিল আৰু দুখীয়া দধিৰামক এমোনা সোণৰ মুদ্ৰা আৰু আন বহুতো কিবাকিবি উপহাৰ দিলে।

পাছত ৰজাই মণিমাক বিয়া কৰাইছিল আৰু মণিমাক পাটমাদৈৰ মৰ্য্যাদা দিছিল।



আচৰিত অহা-যোৱা

অকৃট'পাছৰ মূৰত এডাল শলা আছে। এই শলাডালৰ মাজেদি অকৃট'পাছে তীব্ৰ গতিৰে আগফালে পানী দলিয়াই পিছৰ ফালৈ তীব্ৰ গতিৰে হুঁহকি গৈ থাকে। অকৃট'পাছৰ এনে অহা-যোৱাৰ পদ্ধতিৰে অন্যান্য বহুতো জলচৰ প্ৰাণী ক্ষত-বিক্ষত হয়।

তীৰন্দাজ মাছ

দক্ষিণ-পূব এছিয়াত থকা মাছ এবিধে পানীৰ লতা বা পাতৰ ওপৰত থকা পোক-পৰুৱা খায়। এইবিধ মাছে লতা বা পাতৰ ওপৰত পোক-পৰুৱা দেখামাত্ৰেই মুখেৰে তীব্ৰ গতিৰে পানী দলিয়ায় আৰু তাৰ ফলত পোক-পৰুৱাবোৰ পানীত পৰে। আৰু লগে লগে পোক-পৰুৱাবোৰক ইহঁতে নিমিষতে উদৰস্থ কৰি পেলায়।



জীৱনৰ বন্ধন

বীবৰ নামৰ এবিধ প্ৰাণী হ'ল মলিয়া বা মূষিকজাতীয় প্ৰাণী। ইহঁতে পোৱালি দিয়াৰ পাছত অন্যান্য নিম্নশ্ৰেণীৰ প্ৰাণীইতৰ দৰে পোৱালিবিলাকক খেদি নিদিয়ে। অলপমান ডাঙৰ হৈয়েই বীবৰৰ পোৱালিবিলাকে বাহ সজাৰ কামত দেহে-কেহে লাগি পৰে।

চান্দমামা

চিত্তাকৰ্ষক আৰু জ্ঞানবৰ্ধক উৎকৃষ্ট মাহেকীয়া

* চান্দমামাই পুৰাণ আৰু সাহিত্যৰ শ্ৰেষ্ঠ ৰচনাসমূহক সুষ্ঠুভাৱে প্ৰকাশ কৰে।
* চান্দমামাই উদাৰ দৃষ্টিভংগীৰে আৰু সহজতম ভাষাৰে বিশ্ব-সাহিত্য পৰিবেশন কৰে।
* চান্দামামাই সহজ-সৰল-নিৰ্মল বৰ্ণনাৰ যোগেদি পাঠক-পাঠিকাৰ আনন্দবৰ্ধন কৰাৰ লগে লগে জ্ঞানৰ সম্বলো যোগায় আৰু তাৰ ফলত পাঠক-পঠিকাৰ উৎসাহো বৃদ্ধি পায়।
* চান্দমামাই পুৰাণ-গাথাসমূহৰ সৈতে প্ৰামাণ্যভাৱে পাঠকক চিনকি কৰাই দিয়ে।
* শিশু তথা চেমনীয়াসকলৰ বাবে প্ৰকাশিত চান্দমামাই সিহঁতৰ প্ৰাণত আনন্দ তথা উদ্দীপনা কঢ়িয়াই আনে।
* চান্দমামা কেৱল আপোনাৰ নহয়, আপোনাৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱসকলৰো এক অপৰিহাৰ্য্য পাঠ-মাধ্যম। চান্দমামা নিজে পঢ়ক, আনলৈকো উপহাৰ দিয়ক।

তেৰটা ভাষাত চান্দমামা প্ৰাকাশিত হয়। আপুনি নিম্নলিখিত যিকোনো ভাষাৰ চান্দমামাৰ গ্ৰাহক হ'ব পাৰে:

তেলুগু, তামিল, হিন্দি, ইংৰাজী, অসমীয়া, গুজৰাটী, কন্নড়, মালয়ালম, মৰাঠী, ওড়িয়া, বাংলা, পঞ্জাবী আৰু সংস্কৃত ভাষাত চান্দমামা প্ৰকাশিত হয়।

চান্দমামাৰ বছৰেকীয়া বৰঙণি ৩০'০০ টকা মাথোন।

আপুনি কোন ভাষাৰ চান্দমামা ল'ব—তাৰ উল্লেখ কৰি, তলৰ ঠিকনালৈ টকা পঠাওক:

ডল্টন এজেন্সিজ
চান্দমামা বিল্ডিংছ, ভাদাপালানি, মাদ্ৰাজ-৬০০ ০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৭ চনৰ নভেম্বাৰ সংখ্যাত প্ৰকাশিত হ'ব



* ফটো-নামকৰণদুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৭ চনৰ ছেপটেম্বাৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্ব-শ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।

ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)**
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৬ চনৰ জুলাই মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : কৰ্ম

দ্বিতীয় ফটো : শিশুৰ ধৰ্ম

পুৰস্কাৰ প্ৰাপক : অনিতা পাল, উত্তৰ লক্ষ্মীমপুৰ, অসম

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা

ভাৰতত বছৰেকীয়া বৰঙণি ৩০'০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026

নাইবা

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

'মেৰি'—২২ কেৰাটৰ সোণ-খতোৱা অলংকাৰৰ জগতত এক বিশ্বস্ত আৰু বিখ্যাত নাম। গুণত অনুপম! সৌন্দৰ্য্যত অপৰূপ!! গেৰাণ্টিযুক্ত, প্ৰত্যেকৰ ৰুচিসম্মত অতুলনীয় অলংকাৰ!

অৰ্ডাৰ পঠাওঁতে অলংকাৰৰ নম্বৰ উল্লেখ কৰিব। ডাক-মাচুল (ভি. পি.) অতিৰিক্ত। বিনামূলীয়া কেটালগৰ বাবে লিখি পঠাওক।



MERI GOLD COVERING WORKS

P.O. BOX: 1405, 14, RANGANATHAN STREET,
T. NAGAR, MADRAS-600 017, INDIA.

everest/86/PP/412-as


Treat yourself to something special!
Big BON-BONs from nutrine
Tasty, creamy, fruity delights
in four delicious flavours
nutrine BON BON
GREAT NEW BON BONS
from nutrine,
naturally!
MILK CREAM
LEMON COCONUT
FRUITY • CHOCOMINT
nutrine
BON BON
nutrine India's largest selling sweets
Nutrine Confectionery Company Private Limited, Chittoor, A.P.
CLARION/NC/8571